# চাজাহান

(বুৰঞ্জীমূলক নাটক)।

THE NABIN BARDOLAI HALL & LIBRARY
26 AUG 1958
G .UH. TI

-শ্ৰীধৰ্ম্মেশ্বৰ কটকী।

[ লিখকৰ দ্বাৰাই সৰ্ব্বস্বত্ব সংৰক্ষিত ]

প্ৰকাশক : নৰেন্দ্ৰনাথ বৰদলৈ
বৰদলৈ বুক ষ্টল
বিহপুৰীয়া, উঃ লক্ষীমপুৰ।

প্ৰথম তাঙৰণ : ১৯৫৭
মূল্য : ১·৭৫ নয়া পইচা ( ১৸০ অনা )।

প্ৰিন্টাৰ : শ্ৰীমণীন্দ্ৰনাথ ভাণ্ডাৰী
ইন্দুনাৰায়ণ প্ৰিণ্টিং ওৱাৰ্কচ,
১৫বি, ৰায়বাগান ষ্ট্ৰীট্‌, কলিকতা—৬।

THE NABIN BARDOLAI HALL & LIBRARY
26 AUG 1958
GAUHATI

# অৰ্পণ

আন্তৰিক ভক্তিৰে শ্ৰীযুত যোগেশ্বৰ বৰুৱাৰ হাততলৈ 'চাজাহান' আগ বঢ়ালোঁ।

—লিখক।

## —আমাৰ একোষাৰ—

'চাজাহান' নাটকখন কেবা বছৰো আগতে লিখা হৈছিল। কিন্তু নানা অসুবিধাত ৰাইজৰ আগলৈ উলিয়াব পৰা নাছিলো। 'চাজাহান' প্ৰকাশ নৌ-কৰোতেই অসমৰ বহু ঠাইৰ পৰা চিঠি আহিল 'চাজাহান' বিচাৰি হাতে লিখা অৱস্থাতে প্ৰথম অভিনয় কৰে বিহপুৰীয়াৰ লোহিত-ডিক্ৰং হাই স্কুলৰ ছাত্ৰসকলে। আমাৰ শিক্ষা গুৰু পূজনীয় শ্ৰীযুত বিষ্ণু বৰা বি-এ, দেৱে চাজাহান লিখাৰ কালত নাটক লিখাৰ সম্বন্ধে আমাক বহুখিনি সজ উপদেশ দিছিল। তাৰ বাবে আমি তেখেতৰ ওচৰত কৃতজ্ঞ। নাটকখন প্ৰকাশত আমাক অনুপ্ৰেৰণা জোগাইছিল শ্ৰীযুত ৰমেশ চন্দ্ৰ গোস্বামী, শ্ৰীযুত মুক্তিনাথ বৰা বি-এছ-চি, আৰু ভাই স্বৰূপ শ্ৰীমান গোলোকচন্দ্ৰ হাজৰিকা শ্ৰীমান্ মহেন্দ্ৰনাথ বৰদলৈয়ে। কেউজনৰ ওচৰত আমি চেনেহৰ ধৰুৱা। বিহপুৰীয়াৰ বৰদলৈ বুক ষ্টলে প্ৰকাশৰ ভাৰ নোলোৱা হলে 'চাজাহান' পৰি থাকিল হেতেন বাকছৰ এচুকত।

ঐতিহাসিক পটভূমিৰ খোপনিতে চাজাহান লিখা হৈছে। কিন্তু কেতিয়াবা দোখোজ এখোজ বাহিৰলৈ যোৱা হৈছে, যদিও বুৰঞ্জীৰ খোপনি এৰি দিয়া নাই। দৃশ্য সজ্জাৰ কিছু কিছু ক্ষেত্ৰত বঙালী নাট্যকাৰ দ্বিজেন্দ্ৰ লালৰ 'চাজাহানৰ' অনুকৰণ কৰা হৈছে। কিবা দোষ থাকিলে সুধীবৃন্দই মাৰ্জ্জনা কৰে যেন। শেষত সকলোৰে পৰা সহায় সহানুভূতি আৰু মৰম বিচাৰিছোঁ।

লখিমী প্ৰকাশ।<br>বিহপুৰীয়া—১।৮।৫৭

ৰাইজৰ পদৰজ—<br>শ্ৰীধৰ্ম্মেশ্বৰ কটকী।

# চৰিত্ৰাৱলী

| | | |
|---|---|---|
| ১ । | চাজাহান | দিল্লীৰ সম্রাট |
| ২ । | দাৰা | সম্রাটৰ বৰ পুত্ৰ হিন্দুস্থানৰ ভাবী সম্রাট |
| ৩ । | ঔৰংজীৱ | দাক্ষিণাত্যৰ শাসনকৰ্ত্তা |
| ৪ । | চুজা | বঙ্গৰ শাসন কৰ্ত্তা |
| ৫ । | মুৰাদ | গুজৰাটৰ শাসনকৰ্ত্তা |
| ৬ । | চোলেমান | দাৰাৰ বৰপুত্ৰ |
| ৭ । | মহম্মদ | ঔৰংজীৱৰ বৰপুত্ৰ |
| ৮ । | চিপৰ | দাৰাৰ সৰু পুত্ৰ ( ৯-১০ বছৰীয়া ) |
| ৯ । | মিৰজুমলা | ঔৰংজীৱৰ সেনাপতি |
| ১০ । | মহম্মদ খাঁ | দাৰাৰ সেনাপতি |
| ১১ । | দিলীৰ খাঁ | „ |
| ১২ । | জিহন খাঁ | ঔৰংজীৱৰ কৰ্ম্মচাৰী |
| ১৩ । | জয়সিংহ | ঔৰংজীৱৰ সেনাপতি |
| ১৪ । | নাদিৰা | দাৰাৰ পত্নী |
| ১৫ । | পিয়াৰা | চুজাৰ পত্নী |
| ১৬ । | নুৰজান | চুজাৰ কন্যা |
| ১৭ । | জাহানাৰা | চাজাহানৰ কন্যা |

THE NABIN BARDOLAI HALL & LIBRARY
26 AUG 1958

# চাজাহান

## উদ্বোধনী দৰ্শন

[ যমুনা নদীৰ পাৰত আগ্ৰাৰ মমতাজৰ কবৰস্থান। সময় সূৰ্য্যাস্ত। বহু সময় নীৰৱ। ৰঙ্গমঞ্চৰ ক্ষীণ পোহৰত দেখা যায়—চাজাহানে মমতাজৰ কবৰৰ ওপৰত মূৰ দি কান্দি থাকে। কিছু সময়ৰ পিছত চাজাহানে মূৰ ডাঙি সন্মুখলৈ চাই ৰল। দুধাৰা চকুলো গালৰ ওপৰে দি বৈ আছে। ]

চাজাহান—নাই। নাই …। চাজাহানৰ সংসাৰ মহাসমুদ্ৰত ডুবি গৈছে। হে আল্লা! হে খোদা!……মমতাজ—মমতাজ, প্ৰাণৰ মমতাজ, বুকুৰ মমতাজ তুমি আজি মহা নিদ্ৰিতা। মৃত্যুয়ে আজি আমালোক দুজনৰ চিৰ বিচ্ছেদ ঘটালে। নাই—মমতাজ নাই, প্ৰাণৰ প্ৰেয়সী নাই। চিৰ দিনৰ কাৰণে মোৰ বুকু সুদা কৰি গুছি গল। মমতাজ! এবাৰ মাতিবি জানো। মই দিল্লীৰ সম্ৰাট, তোৰ হৃদয়ৰ সম্ৰাট চাজাহান। তোৰ মধুৰ কণ্ঠস্বৰত চাজাহানৰ অন্তৰত আকৌ জাগি উঠক প্ৰেমৰ স্পন্দন। নাই, একো নাই। প্ৰেম নাই, প্ৰণয় নাই, সকলো শেষ হৈ গৈছে। এটা অস্থি চৰ্ম্মৰ নিৰ্ম্মিত নৰকঙ্কাল লৈ চাজাহান আজিও জী আছে পৃথিবীত বুকু ভাঙ্গি ভাঙ্গি

Please handle the book carefully.

কান্দিবলৈ। মমতাজক হেৰুৱাই মৃত্যুৰ উপকণ্ঠলৈ লৰি আহিছোঁ মৃত্যু বিচাৰি। মোক মৃত্যু দিয়া আল্লা! বিষাদৰ জ্বলন্ত আগ্নেয়গিৰিৰ প্ৰচণ্ড বিস্ফোৰণত চাই হৈ যাব নিদিশা। ৰহম—কৰা খোদা।

( কবৰৰ ওপৰত গবা মাৰি ধৰি বহু সময় কান্দে। তাৰ পিছত আকাশৰ ফালে তন্ময় হৈ চাই থাকি কবৰলৈ পুনৰ ঘূৰি চায় )।

চাজাহান—জীৱনৰ ব্যৰ্থতা, পৰাজয়ৰ চৰম পৰিণতি। মমতাজ, মোক নালাগে দিল্লীৰ ৰাজসিংহাসন, নালাগে হিন্দুস্থানৰ ঐশ্বৰ্য্য বিভূতি, নালাগে স্বৰ্ণ মৰকতেৰে নিৰ্ম্মিত ময়ূৰ সিংহাসন। এবাৰ মাতিবি জানো মমতাজ—মাত, তোৰ প্ৰেম প্ৰাচুৰ্য্যৰ উচ্ছাসেৰে চাজাহানৰ দগ্ধ হৃদয়ত তুলিদে এটা অপূৰ্ব্ব উন্মাদনা।

( জাহানাৰা আৰু দাৰাৰ প্ৰবেশ )।

জাহানাৰা—আব্বাজান!

চাজাহান—জাহানাৰা! অভাগী তয়ো আহিলি।

জাহানাৰা—কাৰেঙলৈ আহক আব্বাজান। শোক কৰিলে আৰু কি হব। যি এবাৰ হৈ গল তাক আৰু নোহোৱা কৰিব নোৱাৰি।

চাজাহান—সচ্ছা, সচ্ছা জাহানাৰা। তথাপিও যে মনলৈ সান্তনা নাহে। মই কোনো মতে এই বেজাৰৰ পৰা আতৰিব নোৱাৰোঁ আই। মমতাজৰ বিচ্ছেদে জানো মোক জীয়াই ৰাখিব পাৰিব। নোৱাৰে—নোৱাৰে জাহানাৰা; মৃতুঞ্জয়ী

প্ৰেমৰ জানো বিচ্ছেদ আছে? মৃত্যুৰ পিছত মোৰ আত্মাই প্ৰাণৰ মমতাজক নিশ্চয় লগ পাব।

( দাৰা আৰু জাহানাৰাই চকুলো টোকে )।

দাৰা—জাহাপানা! এই নিৰ্জ্জন মাতৃৰ সমাধিস্থানত আপোনাৰ জানো থকা উচিৎ হৈছে।

চাজাহান—মৃত্যুকে বিচাৰিছোঁ। মৃত্যুয়েহে মোক শান্তি দিব পাৰিব। মোৰ অনুৰোধ দাৰা,—মমতাজৰ কবৰৰ কাষতে মোৰ কবৰ দিবি।

দাৰা—জাহাপানা। আপোনাৰ ভগ্ন হিয়াই আমাৰ শোক যে দুগুণে বঢ়াইছে। আপুনি জ্ঞানী, আপুনি সমগ্ৰ হিন্দুস্থানৰ সম্ৰাট। আপুনি এইদৰে অধৈৰ্য্য হলে আমাৰ অৱস্থা কি হব। মাতৃশোকত অনুতপ্তা সৌ জাহানাৰাৰ ফালে এবাৰ চাওকছোন। আপোনাৰ শোকেই জানো তাইৰ শোক বৃদ্ধিৰ কাৰণ নহয়।

চাজাহান—বুজিছো। সকলো কথাকেই বুজিছোঁ। কিন্তু কৰিম কি? মনক যে সান্তনা দি ৰাখিব নোৱাৰোঁ। এই সংসাৰ আৰু মোৰ কাৰণে নহয় বাছা। জীয়াই থকাৰ আশা আৰু মোৰ হৃদয়ত নাই। এই যমুনা নদীৰ পাৰৰ মোৰ মমতাজৰ সমাধিস্থানত চকুলো টুকি টুকি মোৰ দিন পাৰ কৰিম। দাৰা! পুত্ৰ! যা বাছা, ৰাজধানীলৈ ঘূৰি যা। ৰাজসিংহাসন তোৰ। ( দাৰা আৰু জাহানাৰাৰ ওচৰলৈ যায় ) দাৰা! জাহানাৰা!

Please handle the book carefully.

কান্দিছ ? কান্দ। আজিয়েই কান্দিল। সৌ তহঁতৰ জননীৰ সমাধি ভেটিত চকুলো পেলাই কান্দ।

জাহানাৰা—আব্বাজান!

চাহাজান—জাহানাৰা! যা সোনকালে ঘৰলৈ ঘূৰি যা। মই সিংহাসনৰ কামনা নকৰোঁ। বিলাস বাসনাত লিপ্ত থাকি আজি বুজিব পাৰিছোঁ সংসাৰৰ জটিলতা কোন খিনিত, মানৱ জীৱনৰ ৰহস্য কত।

দাৰা—আব্বাজান! আপুনি ইমান অধৈৰ্য্য হলে ৰাজ্যৰ অৱস্থা কি হব। বিদ্ৰোহী বিলাকে এই সুযোগতে যেনি তেনি গা ডাঙি উঠিব। সম্ৰাটৰ এই অৱস্থাৰ অজুহাতলৈ ৰাজ্যত বিশৃঙ্খলৰ সৃষ্টি হব। আকবৰে বৃদ্ধি কৰা মোগল সাম্ৰাজ্যক আপুনি নিজহাতে সুবিশাল কৰি গঢ়ি তুলি আজি নিজ হাতেৰে ইয়াক ভাগি চুৰমাৰ হৈ যাবলৈ নিদিব। এই খোদাৰ ৰাজ্যত কোনো কাৰো আপোন বা পৰ নহয়। ভাল পোৱাই জানো মানুহক চিৰকাল বচাই ৰাখিব পাৰে। সকলো জীৱই খোদাৰ আদেশত তেওঁৰ বাণী প্ৰচাৰ কৰিবলৈ আস্মানৰ পৰা তেওঁৰ অংশৰে পৃথিবীলৈ আহিছে আৰু জীৱনৰ কৰ্ম্ম অৱসানৰ পিছত আকৌ ফিৰিব লাগিব আস্মানলৈ। খোদাৰ আদেশ আপুনি মোগল সাম্ৰাজ্যত তেওঁৰ বাণী প্ৰচাৰ কৰা। সংসাৰৰ মায়া মোহত মুগ্ধ হৈ যদি আপুনি নিজৰ কৰ্ত্তব্য পাহৰি যায়, তেন্তে খোদাক নিশ্চয় অৱমাননা কৰা হব। ইযে মহাপাপ আব্বাজান!

এখোৰ চাওবছোন মোগল সাম্রাজ্যৰ ফালে। বাবৰে মোগল ৰাজ্য স্থাপন কৰিলে, আকবৰে সেই ৰাজ্য প্রেম আৰু অপৰিসীম ধৈৰ্য্যৰে সুদৃঢ় কৰিলে; আৰু আপোনাৰ দিনত এই ৰাজ্য পালেগৈ উন্নতিৰ চৰম সীমাত।

চাহাজান—পুত্র হৃদয়ৰ প্রতি স্তৰে স্তৰে অনুভৱ কৰিছো। তোৰ দৰ্শনৰ সত্যতা। কিন্তু মনে যে নামানে।

দাৰা—নিশ্চয় মানিব জাহাপানা। গোটেই সংসাৰকে আপুনি যেতিয়া আপোনি বুলি জ্ঞান কৰিব পাৰিব তেতিয়াহে আপোনাৰ প্রেমৰ চৰিতাৰ্থ হ'ব। আপুনি সমগ্র হিন্দুস্থানৰ সম্রাট। প্রেমেৰে আপুনি এজনৰ অন্তৰ জয় কৰিলে আপুনি প্রকৃত প্রেমিক হব নোৱাৰে। আপোনাৰ ৰাজ্যৰ সকলো প্রজাৰ হৃদয় জয় কৰিব লাগিব আপোনাৰ প্রেমেৰে। মানুহ বিচ্ছেদ হব পাৰে কিন্তু হৃদয়ৰ প্রকৃত ভাল পোৱা যাক খোদাই নৰ সমাজৰ প্রতিদান কৰিছে সি কেতিয়াও বিচ্ছেদ ঘটিব নোৱাৰে। মাতৃৰ বিয়োগত আমিও সোকাতুৰ। কিন্তু কৰিব কি? খোদাৰ সৃষ্টিৰ নিয়ম এনেকুৱাই। খোদাৰ শাসনত আমিতো হস্তক্ষেপ কৰিব নোৱাৰোঁ। জন্ম যেনেকৈ অকলে হয় মৃত্যুও তেনেকুৱাই। সংসাৰত সকলো দুদিনৰ চিনাকি মাথোন। এই ধুনীয়া সংসাৰ খন এৰি যাবলৈ কাৰ মন যায়? কিন্তু এৰিবতো লাগিব। কবৰৰ অতল গৰ্ভত জীৱনৰ শেষ কালত পৰি থাকিব লাগিব। তেতিয়াতো কোনেও কাকো বিচাৰ নকৰে। চাওক জাহাপানা। তাজমহল

ৰছনাৰ এই খনেই স্থিৰ প্ৰস্তুতি। ( চাজাহানে দাৰাৰ হাতৰ পৰা কাগজত আঁকি অনা তাজমহলৰ ছবি খন বহু সময় চাই থাকে )।

চাজাহান—সুন্দৰ! সপোনৰ, মমতাজৰ আকাংখ্যাৰ তাজমহল! দাৰা! হিন্দুস্থানৰ সমগ্ৰ ৰত্ন-মণি-মৰকাতেৰে প্ৰিয়াৰ সমাধি স্থানত বিচিত্ৰ কাৰুকাৰ্য্যৰে সমাধি মন্দিৰ কৰ—যি চিৰ দিন যুগ-যুগান্তৰে প্ৰচাৰ কৰিব সম্ৰাট চাজাহানৰ পত্নী প্ৰেমৰ অপূৰ্ব্ব চানেকি, যি তাজমহলে জগতক ঘোষণা কৰিব পত্নী প্ৰেমৰ অপূৰ্ব্ব নিদৰ্শন, মোগল সাম্ৰাজ্যৰ ভাস্কৰ্য্যৰ অভিনৱ চানেকি আৰু সিয়েই হব সম্ৰাট চাজাহানৰ পত্নী বিৰহৰ কৰুণ কাহিনী।

---

# প্ৰথম অঙ্ক।

## প্ৰথম দৰ্শন।

[ দাক্ষিণাত্যত ঔৰংজীৱৰ কাবেং। ঔৰংজীৱ আৰু মিৰজুমলা, দুয়ো কথা পাতি থাকে। ]

ঔৰং—নহয় জানো উজীৰ চাহেব।

মিৰ—নিশ্চয়। জাহাপানাৰ আনুগত্য স্বীকাৰ নকৰি নোৱাৰোঁ।

ঔৰং—বুজিছো উজীৰ চাহেব। গোলকুণ্ডা জয় কৰাৰ পিছৰ পৰা মোৰ মনত নানান চিন্তাই ঠাই লৈছে।

মিৰ—মই দেখাত জাহাপানাই কোনো চিন্তা কৰিব লগীয়া হোৱা নাই। জাহাপানাৰ নাই কি।

ঔৰং—আপুনি নাজানে উজীৰ চাহেব। ডাঙৰ সমস্যাই দেখা দিছে। এই সমস্যা সমাধান কৰিব পাৰিলে ঔৰংজীৱৰ অস্তিত্ব জীয়াই থাকিব, নহলে চিৰদিনৰ কাৰণেই লুপ্ত হৈ যাব।

মিৰ—জাহাপানাৰ চিন্তাৰ কাৰণ জানিব পাৰিলে নিশ্চয় সুখী হম।

ঔৰং—(ভাৱি ভাৱি) চিন্তা……। এফালে দিল্লীৰ ৰাজ-সিংহাসন আৰু আনফালে ঔৰংজীৱৰ জীৱন। ভাগ্যত কোনটো ঘটে কব নোৱাৰি। সম্মুখত জিলিকি উঠিছে মাত্ৰ এটা উত্তপ্ত চিন্তাৰ প্ৰতিচ্ছবি। বাৰু উজীৰ! মোৰ এটা অনুৰোধ ৰক্ষা কৰিব জানো?

মিৰ—অনুৰোধ কিয় জাহাপানা। আদেশ কৰক। আপোনাৰ ৰহম নোহোৱা হলে ইমান দিনে হয়তো গোলকুণ্ডাৰ চুলতান আব্দুলাৰ বন্দীশালত দিন কটাব লাগিল হেতেন। আপোনাৰ আদেশ নিশ্চয় তামিল কৰিম। আদেশ কৰক।

ঔৰং—তেন্তে মই আপোনাক মোৰ সৈন্যবাহিনীৰ চিপাহ চালাৰ পদত নিযুক্ত কৰিলোঁ। আপোনাৰ মেহেৰবান হলে মোৰ আগন্তুক সমস্যা নিশ্চয় সমাধান কৰিব পাৰিম।

মিৰ—আপোনাৰ আদেশ নিশ্চয় পালন কৰিম।

ঔৰং—অশেষ ধন্যবাদ।

[ মহম্মদৰ প্ৰবেশ ]

মহম্মদ—( কুৰ্নিশ কৰি ) বন্দেগী জাহাপানা।

ঔৰং—ভাল খবৰ শুনিবি মহম্মদ ?

মহম্মদ—কি খবৰ জাহাপানা ?

ঔৰ—উজীৰ মিৰজুমলাক আজিৰ পৰা আমাৰ সৈন্যবাহিনীৰ চিপাহ চালাৰ পদত নিযুক্ত কৰা হৈছে।

মহম্মদ—অতি আনন্দৰ কথা। উজীৰ চাহেব! আপোনাক শতবাৰ ধন্যবাদ জনাইছোঁ।

মিৰ—জাহাপানা! আপোনাৰ চিন্তাৰ কথা নকলে দেখোন।

ঔৰং—মোৰ চিন্তাৰ কাৰণ বুজিব পৰা নাই উজীৰ চাহেব ?

মিৰ—অক্ষম জাহাপানা।

ঔৰং—সম্ৰাট চাজাহানৰ অবিহনে দিল্লীৰ ৰাজসিংহাসন লাভ কৰিব কাফেৰ দাৰাই। পিতৃৰ স্নেহসিক্ত নয়নে

যোগ্যবান দেখিলে দাৰাকেই। ইয়ো জানো সম্ভৱ হব পাৰে ?

মিৰ—অসম্ভৱ জাহাপানা।

ঔৰং—নিশ্চয় !

মিৰ—জাহাপানাৰ দেহত শৌৰ্য্যবল নিশ্চয় আছে।

ঔৰং—নিশ্চয় আছে। কিন্তু বুদ্ধি নহলে এই অভিযান ব্যৰ্থ হৈ যাব।

মহম্মদ—জাহাপানা! এটা জৰুৰী খবৰ দিবলৈ মই পাহৰি গৈছিলোঁ। ক্ষমা কৰিব।

ঔৰং—কি খবৰ মহম্মদ ?

মহম্মদ—সম্ৰাট চাজাহান ৰুগ্ন শয্যাত। বঙ্গ আৰু গুজৰাটৰ শাসনকৰ্ত্তা চুজা আৰু মুৰাদে সম্ৰাটৰ বিদ্ৰোহী হৈ স্বাধীন ৰজা বুলি ঘোষণা কৰিছে।

ঔৰং—( আচৰিত হৈ ) সম্ৰাট ৰুগ্ন শয্যাত, চুজা আৰু মুৰাদ বিদ্ৰোহী হৈ উঠিছে ? তই কত শুনিলি মহম্মদ ?

মহম্মদ—মই অলপ আগতে দিল্লীৰ পৰা অহা এজন মানুহৰ মুখে শুনিলোঁ।

ঔৰং—সচ্চানে মহম্মদ ?

মহম্মদ—যতদূৰ সম্ভৱ ই সচাই হব। সম্ৰাটৰ ৰুগ্ন অৱস্থাত পুত্ৰ সকলে এইদৰে বিদ্ৰোহ আচৰণ কৰাতো উচিত হৈছে বুলি মই বিবেচনা নকৰোঁ জাহাপানা। সম্ৰাটৰ বিপদৰ সময়ত জাহাপানাই আগ্ৰালৈ গৈ সম্ৰাটৰ আদেশ অনুক্ৰমে বিদ্ৰোহী সকলক দমন কৰা উচিত হব।

ঔৰং—মহম্মদ! তই নাজান চুজা আৰু মুৰাদ কিহৰ কাৰণে লালায়িত। সিহঁতে উচিত কাৰ্য্যকে অৱলম্বন কৰিছে।

মহম্মদ—উচিত পন্থাকে অৱলম্বন কৰিছে আব্বাজান?

ঔৰং—নিশ্চয়। বাৰু তোৰ সৈন্যবাহিনী প্ৰস্তুত হৈ আছেনে?

মহম্মদ—আছে জাহাপানা।

ঔৰং—উজীৰ চাহেব।

মিৰ—জাহাপানা।

ঔৰং—এফালে সম্ৰাট চাজাহান ৰুগ্ন শয্যাত পৰিছে আনফালে শাসনকৰ্ত্তা সকল বিদ্ৰোহী হৈ উঠিছে। এই সন্ধিক্ষণত ময়ো দাক্ষিণাত্যৰ স্বাধীন ৰজা বুলি ঘোষণা কৰাতো বোধ হয় উচিত হব। কি কয় উজীৰ চাহেব?

মিৰ—নিশ্চয়। আজিয়েই ঘোষণা কৰি দিয়ক যে দাক্ষিণাত্য সম্ৰাট চাজাহানৰ অধীনত নহয় ই ঔৰংজীৱৰ সম্পূৰ্ণ অধীনত।

মহম্মদ—অসম্ভৱ উজীৰ চাহেব। সম্ৰাটৰ জীৱিত অৱস্থাত জাহাপানা এনেকৈ বিশ্বাসঘাটক হব নোৱাৰে।

ঔৰং—মহম্মদ! তই মুবুজ ৰাজনীতিৰ কুটিলতা কি। কুটনীতি অৱলম্বন নকৰিলে এই সমস্যা সমাধান কৰিব পৰা নহব। যা মহম্মদ ঘোষণা প্ৰচাৰ কৰগৈ যে আজিৰ পৰা দাক্ষিণাত্য সম্পূৰ্ণ ঔৰংজীৱৰ অধীনত।

মহম্মদ—মোক ক্ষমা কৰিব জাহাপানা। জাহাপানা হব পাৰে নিজে বিশ্বাসঘাটক, কিন্তু মইতো নহয়। মইতো বিচৰা নাই দিল্লীৰ ৰাজসিংহাসন, মইতো বিচৰা নাই পিতৃৰ

জীৱিত অৱস্থাত ৰাজপদ ভোগ কৰিবলৈ। তেন্তে মই কিয় বিশ্বাস ঘাটকৰ কাম কৰিম। কোৱাণক কিয় অবজ্ঞা কৰিম।

ঔৰং—তোৰ পৰা মই ৰাজনীতি শিক্ষা কৰিব লাগিবনে মহম্মদ ?

মহম্মদ—মই ৰাজনীতি শিক্ষা দিবলৈ বিচৰা নাই।

ঔৰং—তেন্তে ? যা সোনকালে মোৰ আদেশ পালন কৰগৈ।

( মহম্মদে অবজ্ঞাৰে কুৰ্ণিশ কৰি গুছি যায় )।

ঔৰং—উজীৰ চাহেব ! আপুনিও যাওক। মহম্মদৰ সৈতে দুয়ো আমাৰ সৈন্যবাহিনীক প্ৰতিমুহূৰ্ত্তৰ কাৰণে প্ৰস্তুত কৰি ৰাখক গৈ। এই বাতৰি আগ্ৰা পোৱাৰ পিছত কব নোৱাৰি কোন সময়ত দাৰাৰ সৈন্যৰ লগত আমি যুজ দিব লগা হয়।

[ মিৰজুমলাৰ প্ৰস্থান ]।

ঔৰং—( ভাৱি ভাৱি ) হুছিয়াৰ ঔৰংজীৱ। পিচল বাটত ভালকৈ ভৰি দিব লাগিব। এফালে দিল্লীৰ ৰত্ন মৰকতেৰে নিৰ্ম্মিত মৈয়ূৰ সিংহাসন, আনফালে শক্তিশালী ইয়াৰ প্ৰতিদ্বন্দি দল। এই পৰীক্ষাত উত্তীৰ্ণ হব লাগিব। এফালে জীৱন আনফালে চিৰ আকাঙ্খাৰ সিংহাসন। সমগ্ৰ হিন্দুস্থানৰ সম্ৰাটৰ সোনৰ সপোন। চুজা আৰু মুৰাদ···বাৰু...দেখা যাব। [ প্ৰস্থান।

## দ্বিতীয় দৰ্শন।

[ আগ্ৰাৰ দুৰ্গ প্ৰাসাদ, চাজাহানৰ কক্ষ ; অৰ্দ্ধশায়িত অৱস্থাত চাজাহান—ওচৰত দাৰা আৰু জাহানাৰা। ]

চাজাহান—শুনিছো দাৰা। এই দুঃসম্বাদ অলপ আগতেই পাইছোঁ। কিন্তু কৰিম কি। মই বৃদ্ধ তাতে ৰুগ্ন। এনে সময়তেই সকলোৱে বিদ্ৰোহ কৰিছে।

দাৰা-কেৱল বিদ্ৰোহেই নহয় জাহাপানা। সিহঁতে স্বাধীন ৰজা বুলিও ঘোষণা কৰিছে।

চাজাহান—স্বাধীন ৰজা ? মোৰ জীৱত অৱস্থাতে ইহঁতৰ সিংহাসনলৈ এই খোৱা কামোৰা !

দাৰা—ঔৰংজীৱে মুৰাদৰ লগত যোগ দিছে। শুনিছোঁ এই সম্মিলিত বাহিনীয়ে সোনকালেই আগ্ৰা দখল কৰিবলৈ আগবাঢ়ি আহিব।

চাজাহান—আগ্ৰা দখল কৰিব সিহঁতে ? আৰু মই পুত্ৰ স্নেহত ডুব গৈ নিচেষ্ট হৈ বহি থাকিম দাৰা ?

দাৰা—আপুনি বহি নাথাকি কি কৰিব জাহাপানা। এতিয়া আপোনাৰ দেহাত ডেকা কালৰ শক্তি নাই। সি যি নহওক আপুনি ৰুগ্ন। বিদ্ৰোহ দমন কৰা চিন্তা আপুনি কৰাৰ আৱশ্যক নাই। এই বিদ্ৰোহ মই নিজ হাতে দমন কৰিম। চুলেমানলৈ মই এই বিষয়ে লিখিছোঁ।

চাজাহান—কি লিখিছ দাৰা ?

দাৰা—সোনকালে চুজাৰ বিৰোদ্ধে যুদ্ধ যাত্ৰা কৰিবলৈ। আৰু তাক সহায় কৰিবলৈ বিকানীৰ মহাৰজা জয়সিংহ আৰু আমাৰ সৈন্যাধ্যক্ষ দিলিৰ খাঁক পঠাইছোঁ।

চাজাহান—তেন্তে মই নিচিন্ত থাকিব পাৰোঁ।

দাৰা—হয় জাহাপানা। মুৰাদৰ সম্মিলিত শক্তিক পৰাজিত কৰিবৰ কাৰণে মহাৰাজ যশোৱন্ত সিংহক পঠোৱা হৈছে।

চাজাহান—ৰাজসিংহাসন লৈ এই ভায়ে ভায়ে কাজিয়া। মই এতিয়াও জীয়াই আছোঁ; মোৰ মৃত্যু নৌহওতেই মোক সিংহাসনচ্যুত কৰি সিহঁতে বিচাৰিছে ৰাজসিংহাসন! নহয় দাৰা! সিহঁতক বাধা দিবৰ কোনো কাম নাই। নিৰ্ব্বিৰোধে সিহঁতক ৰাজধানীলৈ আহিবলৈ দে। সিহঁতক কাষত বহুৱাই গাত হাত ফুৰাই ফুৰাই ভালকৈ বুজাম। মই সিহঁতৰ হাততে আকৌ শাসন ভাৰ দি একো একোখন ঠাইলৈ পঠাই দিম। সিহঁতে মোৰ কথা নুশুনিবনে দাৰা?

জাহানাৰা—সি হব নোৱাৰে জাহাপানা। প্ৰজাই বিদ্ৰোহ আচৰণ কৰিছে যেতিয়া আপুনি সিহঁতক দমন কৰিবই লাগিব।

চাজাহান—সিহঁত যে মোৰ পুত্ৰ।

জাহানাৰা—পুত্ৰ বুলি সিহঁতে আপোনাৰ ওচৰত চিনাকি দিবলৈ বিচৰা নাই।

চাজাহান—ৰাজসিংহাসন! ৰাজসিংহাসনৰ কাৰণেই এই পৃথিবীত কিমান ৰক্তপাতৰ আয়োজন চলিছে। এজনৰ তেজৰ

ওপৰতেই আন এজনৰ আত্ম-প্ৰতিষ্ঠা। ৰাজসিংহাসনৰ কাষত পিতাপুত্ৰৰ সম্বন্ধ কিমান ব্যৱধান! ইয়াৰ কাৰণেই দিনে ৰাতিয়ে কিমান অভিনয় চলিছে। দাৰা! বিদ্ৰোহৰ দাবানল জ্বলি উঠিল। এই দাবানলত মই যে পুৰি নামাম তাৰ মানে নাই। ৰাজসিংহাসন তোৰ বাছা। সমগ্ৰ হিন্দুস্থানৰ তই ভাবী সম্ৰাট। বিদ্ৰোহ দমন কৰি ৰাজসিংহাসন নিষ্কণ্টক কৰি ল। মোৰ আৰু শক্তি নাই।

দাৰা—জাহাপানা! আপোনাৰ জীৱিত অৱস্থাত ৰাজসিংহাসনৰ কামনা কৰি মহাপাপত লিপ্ত হবলৈ নিবিচাৰোঁ। আপোনাৰ পুত্ৰ হিছাবে আপোনাৰ প্ৰজা হিছাবে আপোনাক ৰক্ষা কৰিবলৈ মই সদায় প্ৰস্তুত। এই বিদ্ৰোহৰ কাৰণে ভই নকৰিব। অচিৰতে এই বিদ্ৰোহ দমন হব বুলি মোৰ বিশ্বাস। বীৰ চোলেমানৰ শক্তিৰ পৰীক্ষা মই কেবা বাৰো পাইছোঁ। চোলেমানব হাতত চুজা পৰাজয় অবশ্যম্ভাৱী। ঔৰংজীৱ আৰু মুৰাদৰ কাৰণে অলপ ভাবিব লগীয়া যদিও ৰাজপুত বীৰ মহাৰাজ যশোৱন্ত সিংহৰ হাতত দুয়ো জনেই পৰাজয় হোৱা সুনিশ্চিত। বিদ্ৰোহী হতঁক বন্দী কৰি জাহাপানাৰ ওচৰলৈ লৈ আনিবলৈকো হুকুম দিছোঁ।

চাজাহান—সিহঁত যে ৰাজপুত্ৰ দাৰা।

দাৰা—তাত আপত্তি কি? ৰাজপুত্ৰ বুলি সিহঁতেতো পিতৃভক্তিৰ চিনাকি দিয়া নাই। সিহঁতে বিচাৰিছে জাহাপানাৰ মৃত্যু আৰু দিল্লীৰ ৰাজসিংহাসন।

জাহানাৰা—কুটনীতিজ্ঞ ঔৰংজীৱক পৰাজয় কৰা সাধাৰণ কথা নহয় চাহাজাদা। আপুনি নিচেষ্ট হৈ থাকিলে নহব। ঔৰংজীৱৰ সহায় আছে যোদ্ধা পুত্ৰ মহম্মদ আৰু চতুৰ সেনাপতি মিৰজুমলা।

দাৰা—মই জানা কিবা ত্ৰুটী কৰিছো জাহানাৰা। সম্ৰাটৰ মঙ্গলৰ অৰ্থে দিনে ৰাতিয়ে ভাৱিয়েই আছোঁ। ঔৰংজীৱৰ অসৎ অভিযান তাৰ পুত্ৰ মহম্মদে মুঠেই সমৰ্থন কৰা নাই বুলি জানিব পাৰিছোঁ। কিন্তু আন হাতেদি ঔৰংজীৱে এজন সুনিপুন সেনাপতি লাভ কৰিছে মিৰজুমলাক। আমাৰ শঙ্কাকুল দৃষ্টিৰ আতৰত ঔৰংজীৱক ৰাখিবই লাগিব। আস্মানত খোদা আছে আৰু পৃথিবীত তেওঁৰ বাণী কোৰাণ আছে।

জাহানাৰা—চাহাজাদা! আপুনি হিন্দুস্থানৰ ভাবী ৰাজেশ্বৰ। উদাৰ নীতি অৱলম্বন কৰিলে সাম্ৰাজ্য দৃঢ় কৰিব নোৱাৰে। চাৰিউফালে যেতিয়া বিদ্ৰোহ জ্বলি উঠিছে। আপুনিও আত্মৰক্ষা আৰু ৰাজ্যৰক্ষাৰ কাৰণে সজাগ হৈ থাকিব লাগিব। ৰাজ্য পিপাসু ঔৰংজীৱৰ চক্ৰান্ত আপুনি বুজিব নোৱাৰে। আপুনি এতিয়াই আগ্ৰানগৰৰ সীমান্তত এটা সবল সৈন্যবাহিনী প্ৰস্তুত কৰি ৰাখক যাতে যশোৱন্ত সিংহ পৰাজয় হলেও শত্ৰুপক্ষই আগ্ৰানগৰলৈ অগ্ৰসৰ হব নোৱাৰে।

ওপৰতেই আন এজনৰ আত্ম-প্ৰতিষ্ঠা। ৰাজসিংহাসনৰ কাষত পিতাপুত্ৰৰ সম্বন্ধ কিমান ব্যৱধান! ইয়াৰ কাৰণেই দিনে ৰাতিয়ে কিমান অভিনয় চলিছে। দাৰা। বিদ্ৰোহৰ দাবানল জ্বলি উঠিল। এই দাবানলত মই যে পুৰি নাযাম তাৰ মানে নাই। ৰাজসিংহাসন তোৰ বাছা। সমগ্ৰ হিন্দুস্থানৰ তই ভাবী সম্ৰাট। বিদ্ৰোহ দমন কৰি ৰাজসিংহাসন নিষ্কণ্টক কৰি ল। মোৰ আৰু শক্তি নাই।

দাৰা—জাহাপানা! আপোনাৰ জীৱিত অৱস্থাত ৰাজসিংহাসনৰ কামনা কৰি মহাপাপত লিপ্ত হবলৈ নিবিচাৰোঁ। আপোনাৰ পুত্ৰ হিছাবে আপোনাৰ প্ৰজা হিছাবে আপোনাক ৰক্ষা কৰিবলৈ মই সদায় প্ৰস্তুত। এই বিদ্ৰোহৰ কাৰণে ভই নকৰিব। অচিৰতে এই বিদ্ৰোহ দমন হব বুলি মোৰ বিশ্বাস। বীৰ চোলেমানৰ শক্তিৰ পৰীক্ষা মই কেবা বাৰো পাইছোঁ। চোলেমানৰ হাতত চুজা পৰাজয় অৱশ্যম্ভাৱী। ঔৰংজীৱ আৰু মুৰাদৰ কাৰণে অলপ ভাবিব লগীয়া যদিও ৰাজপুত বীৰ মহাৰাজ যশোৱন্ত সিংহৰ হাতত দুয়ো জনেই পৰাজয় হোৱা সুনিশ্চিত। বিদ্ৰোহী হতঁক বন্দী কৰি জাহাপানাৰ ওচৰলৈ লৈ আনিবলৈকো হুকুম দিছোঁ।

চাজাহান—সিহঁত যে ৰাজপুত্ৰ দাৰা।

দাৰা—তাত আপত্তি কি? ৰাজপুত্ৰ বুলি সিহঁতেতো পিতৃভক্তিৰ চিনাকি দিয়া নাই। সিহঁতে বিচাৰিছে জাহাপানাৰ মৃত্যু আৰু দিল্লীৰ ৰাজসিংহাসন।

জাহানাৰা—কূটনীতিজ্ঞ ঔৰংজীৱক পৰাজয় কৰা সাধাৰণ কথা নহয় চাহাজাদা। আপুনি নিচেষ্ট হৈ থাকিলে নহব। ঔৰংজীৱৰ সহায় আছে যোদ্ধা পুত্র মহম্মদ আৰু চতুৰ সেনাপতি মিৰজুমলা।

দাৰা—মই জানা কিবা ক্রুটী কৰিছো জাহানাৰা। সম্রাটৰ মঙ্গলৰ অৰ্থে দিনে ৰাতিয়ে ভাৱিয়েই আছোঁ। ঔৰংজীৱৰ অসৎ অভিযান তাৰ পুত্র মহম্মদে মুঠেই সমৰ্থন কৰা নাই বুলি জানিব পাৰিছোঁ। কিন্তু আন হাতেদি ঔৰংজীৱে এজন সুনিপুন সেনাপতি লাভ কৰিছে মিৰজুমলাক। আমাৰ শঙ্কাকুল দৃষ্টিৰ আতৰত ঔৰংজীৱক ৰাখিবই লাগিব। আস্মানত খোদা আছে আৰু পৃথিবীত তেওঁৰ বাণী কোঁৰাণ আছে।

জাহানাৰা—চাহাজাদা! আপুনি হিন্দুস্থানৰ ভাবী ৰাজেশ্বৰ। উদাৰ নীতি অৱলম্বন কৰিলে সাম্রাজ্য দৃঢ় কৰিব নোৱাৰে। চাৰিউফালে যেতিয়া বিদ্রোহ জ্বলি উঠিছে। আপুনিও আত্মৰক্ষা আৰু ৰাজ্যৰক্ষাৰ কাৰণে সজাগ হৈ থাকিব লাগিব। ৰাজ্য পিপাসু ঔৰংজীৱৰ চক্রান্ত আপুনি বুজিব নোৱাৰে। আপুনি এতিয়াই আগ্রানগৰৰ সীমান্তত এটা সৱল সৈন্যবাহিনী প্রস্তুত কৰি ৰাখক যাতে যশোৱন্ত সিংহ পৰাজয় হলেও শত্রুপক্ষই আগ্রানগৰলৈ অগ্রসৰ হব নোৱাৰে।

দাৰা—সছা জাহানাৰা। মই এতিয়াই তাৰ সুব্যৱস্থা কৰিম।

জাহানাৰা—যাওক চাহাজাদা।

( দাৰাৰ প্ৰস্থানোদ্যত নাদিৰাৰ প্ৰবেশ )।

দাৰা—তুমি আহিলা নাদিৰা ?

নাদিৰা—আপুনি যুদ্ধৰ পৰা বিৰতে থাওক প্ৰিয়তম।

দাৰা—ধৰ্ম্ম বিৰোধী কাম কেনেকৈ কৰিবা নাদিৰা। বৃদ্ধ সম্ৰাটক ৰক্ষা কৰিবলৈ হলে যুদ্ধ কৰিবই লাগিব। সম্ৰাটৰ ৰক্ষাৰ ভাৰ, মোগল সাম্ৰাজ্যৰ ৰক্ষাৰ ভাৰ কেৱল মোৰেই নহয়—তোমালোকৰো নাদিৰা।

নাদিৰা—যোৱা ৰাতি এটা মই বেয়া সপোন দেখিছিলোঁ। সেয়েহে আপুনি যুদ্ধলৈ ওলোৱা বাতৰি শুনি বাধা কৰিবলৈ লৰি আহিছোঁ। জানোছা কিবা অমঙ্গল হয়।

দাৰা—তাৰ কাৰণে ভই নকৰিবা নাদিৰা। খোদাই আমাক নিশ্চয় মঙ্গলে ৰাখিব। যাওঁ নাদিৰা। তুমি ভিতৰলৈ যোৱা। ময়ো সোনকালে ঘূৰিম।

( দুয়োৰে প্ৰস্থান )।

চাজাহান—জাহানাৰা। ইহঁতে যে ইমান সোনকালে বিদ্ৰোহ কৰিব মই ভৱা নাছিলোঁ। মোৰ কথা নিশ্চয় সিহঁতে পাহৰি গৈছে জাহানাৰা। সিহঁতক মোৰ ওচৰলৈ মতাই আনি দিবি। সিহঁত মাতৃহীন। সিহঁতক বুকুত সুমুৱাই মৰম কৰিলে নিশ্চয় বিদ্ৰোহ এৰিব।

জাহানাৰা—আব্বাজান! সংসাৰ বৰ জটিল। স্নেহৰ নিজৰা আপোনাৰ বিদ্ৰোহী পুত্ৰ সকলৰ অন্তৰত বৈ পৰা নাই। এই বিদ্ৰোহ যে দমন হব মই খুব সন্দেহ কৰিছো আব্বাজান।

( চাজাহান বিছানাত দীঘল দি শোৱে। জাহানাৰা ভিতৰলৈ সোমাই যায়। কিছু সময়ৰ পিছত চাজাহান বিছনাৰ পৰা উঠি আহি মেলি থোৱা খিৰিকী খনৰ কাষত ঠিয় হৈ বাহিৰলৈ চায় )।

চাজাহান—তাজমহল! মমতাজৰ সপোনৰ তাজমহল, প্ৰেমিক চাজাহানৰ হৃদয়ৰ তাজমহল জিলিকি থাক চিৰদিন যুগ যুগান্তৰ।

---

## তৃতীয় দৰ্শন।

[ নৰ্ম্মদা নদীৰ পাৰত ঔৰংজীৱৰ শিবিৰ,—মুৰাদ আৰু ঔৰংজীৱে কথা পাতি থাকে ]।

ঔৰং—মুৰাদ।

মুৰাদ—ভাই চাহেব।

ঔৰং—চুজাই স্বতন্ত্ৰ ভাৱে বিদ্ৰোহ কৰি ভুল কৰিছে নহয় জানো?

মুৰাদ—ময়ো তাকেই ভাৱো।

ঔৰং—সম্ৰাট চাজাহানৰ প্ৰভুত্ব আমি স্বীকাৰ কৰিব পাৰোঁ। কিন্তু কাফেৰ দাৰাৰ প্ৰভুত্ব আমি কোনো ৰকমে স্বীকাৰ কৰিব নোৱাৰোঁ। এই বিদ্ৰোহ দমনৰ আয়োজন সম্ৰাটৰ

নহয়। স্বয়ং দাৰাৰ। সি বিচাৰে হিন্দুস্থানৰ ৰাজ-সিংহাসন। দাৰাই কোৰাণক অৱহেলা কৰি হিন্দু আৰু মুছলমান এই দুয়ো জাতিৰে এক নতুন জাতি সৃষ্টিৰ মানস কৰিছে। যি কাম মহান আকবৰে কৰিব নোৱাৰিলে সেই কামত হস্তক্ষেপ কৰিছে এটা কাফেৰে। কোৱা ভাই, তোমাৰ মত কি ?

মুৰাদ—মোৰ মত আগতে আপোনাক জনাই আহিছোঁ। বোধ হয় চাহাজাদাই পাহৰি যোৱা নাই। দাৰাৰ আনুগত্য কেতিয়াও স্বীকাৰ কৰিব নোৱাৰোঁ। এই অভিযান শেষ হোৱাৰ পিছত হিন্দুস্থানৰ একাংশ হব আপোনাৰ আৰু একাংশ হব মোৰ।

ঔৰং—জৰুল হব। সেই বিষয়ে কোনো চিন্তা নাই। মোগল সাম্ৰাজ্যৰ অৰ্দ্ধাংশ হব তোমাৰ। কিন্তু চুজাইতো মহা ভুল কৰিলে। আমাৰ ত্ৰিশক্তি সম্মিলিত হোৱা হলে দাৰাৰ কি শক্তি আছিল যে আমাক পৰাজয় কৰে। শুনিবলৈ পাইছো দাৰাৰ পুত্ৰ চোলেমান আৰু জয়সিংহই মোগলৰ এটা বিৰাট সৈন্যবাহিনী লৈ চুজাৰ বিৰুদ্ধে যুদ্ধ যাত্ৰা কৰিছে।

( মিৰজুমলাৰ প্ৰবেশ )।

মিৰ—আদাপ জাহাপানা।

ঔৰং—খবৰ কি উজীৰ চাহাব ?

মিৰ—সংবাদ অতি গুৰুত্বৰ। দাৰাৰ বিৰাট অজেয় সৈন্য-

বাহিনীয়ে নৰ্ম্মদা নদীৰ সিপাৰে শিবিৰ পাতিছে। লগত আহিছে ৰাজপুত বীৰ যশোৱন্ত সিংহ। যশোৱন্ত সিংহই লগত বহুত কামান, বন্দুক বাৰুদ আদি লৈ আনিছে। আমাৰ তাকৰীয়া সৈন্যৰে যশোৱন্ত সিংহক পৰাজয় কৰা অতি দুঃসাধ্য জাহাপানা।

ঔৰং—ময়ো তাকেই ভাৱিছোঁ উজীৰ চাহেব। আপুনি কিবা গম পাইনে যশোৱন্ত সিংহই কেতিয়া আমাৰ সৈন্য আক্ৰমণ কৰিব।

মিৰ—নাজানো জাহাপানা। কিন্তু শত্ৰু আক্ৰমণলৈ তো আমি প্ৰতীক্ষা কৰিব নোৱাৰোঁ।

ঔৰং—প্ৰতীক্ষা নকৰি আৰু কি কৰিব। সামান্য সৈন্যৰে এটা বিৰাট বাহিনীক পৰাজয় কৰিবলৈ আগবঢ়াতো অজ্ঞতাৰহে পৰিচয়। মুৰাদ, উপায় ?

মুৰাদ—আমি যিকোনো প্ৰকাৰেই যশোৱন্ত সিংহৰ গতিৰোধ কৰিব লাগিব। ভয় নাই ভাইচাহেব।

ঔৰং—কিন্তু ঔৰংজীৱ ইমান মূৰ্খ নহয় যে জ্বলা জুই দেখি সি তাত জপিয়াই পৰিব। যশোৱন্ত সিংহৰ অজেয় বাহিনীক বুদ্ধিৰে পৰাজয় কৰিব লাগিব। এই বিষয়ে মই আগতে চিন্তা কৰি মহম্মদক যশোৱন্ত সিংহৰ ওচৰলৈ পঠাইছোঁ।

মিৰ—শত্ৰুৰ ওচৰলৈ মহম্মদক পঠাইছে ?

ঔৰং—তাত আপত্তি কি ? ৰাজপুতৰ অন্তৰত এনে হীন মনোভাৱ নাই যে শত্ৰুক ঘৰত পাই হত্যা কৰিব। মুছলমানৰ হাতত শত শত বাৰ ৰাজপুত বীৰ লাঞ্ছিত হব পাৰে

তথাপি সিহঁতৰ যি ধৰ্ম্ম সেই ধৰ্ম্ম কেতিয়াও ত্যাগ নকৰে।
সাক্ষ্য দিব বুৰঞ্জীয়, সাক্ষ্য দিব সিহঁৰ বীৰত্বই।

মিৰ—সৌৱা চাহাজাদা আহি পালেহি।

( মহম্মদৰ প্ৰবেশ )।

ঔৰং—তোৰ কাৰণেই অপেক্ষা কৰি আছোঁ মহম্মদ। খবৰ শুনা।

মহম্মদ—যশোৱন্ত সিংহ শিবিৰত নথকাত তেওঁৰ কাৰণে বহু সময় অপেক্ষা কৰিব লগা হৈছিল। তেওঁৰ অনুপস্থিতিৰ কাৰণে শিবিৰলৈ সোমাবলৈ অনুমতিকে পোৱা নাছিলোঁ।

ঔৰং—পিছত ?

মহম্মদ—যশোৱন্ত সিংহ আহি পাওঁতে বহু পলম হল। তেওঁক জাহাপনাৰ নিমন্ত্ৰণ জনালোঁ। তেওঁ প্ৰথমতে হাঁহিলে। তাৰ পিছত বহুত সময় চিন্তা কৰি নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ অক্ষম বুলি জনালে। আৰু কলে যে—ৰাজ্যপিপাসু ঔৰংজীৱে যদি যশোৱন্ত সিংহলৈ ভয় কৰিছে তেনেহলে আত্মসমৰ্পণ নকৰে কিয়। আজি আমাৰ সৈন্য আক্ৰমণ নকৰে বুলি প্ৰতিশ্ৰুতি দিছে। কিন্তু কালিলৈ পুৱাতে তেওঁ আক্ৰমণ চলাব।

ঔৰং—বেছ। অতি সৌভাগ্যৰ কথা। যশোৱন্ত সিংহৰ এদিনৰ বিশ্ৰামেই আমাৰ বিজয যাত্ৰাৰ হব অগ্ৰগতি। যা মহম্মদ, তই অলপ বিশ্ৰাম লগৈ।

( মহম্মদৰ প্ৰস্থান )।

মুৰাদ—ভাই চাহেব, আজি তেন্তে আমাৰ ৰণ স্থগীত থাকিব ?

ঔৰং—যুদ্ধ স্থগীত থাকিব। কিন্তু আমি ইয়াত অপেক্ষা কৰিব নোৱাৰোঁ। আজি ৰাতিয়েই আগ্ৰাৰ অভিমুখে যাত্ৰা কৰিব লাগিব। আজি যাত্ৰা কৰিব নোৱাৰিলে আমাৰ চেষ্টা একেবাৰেই ব্যৰ্থ হৈ যাব। কালিৰ ভিতৰত চোলেমান আৰু জয়সিংহই যশোৱন্ত সিংহৰ লগত লগ হবহি। ইয়াৰ আগতে আমি যাব লাগিব। ইহঁতক পিছ পেলাই আমি আগ্ৰা দখল কৰিব লাগিব।

মিৰ—আজি ৰাতিৰ ভিতৰত কেনেকৈ যাত্ৰা কৰিব জাহাপানা ? আমাক যে চাৰিউফালে শত্ৰুসৈন্যই বেৰি আছে। বেঢ়ি থকা শত্ৰুৰ চকুত ধূলি দি ৰাতিৰ ভিতৰত নৰ্ম্মদা নদী পাৰ হৈ আগ্ৰালৈ আগবঢ়া জানো আমাৰ পক্ষে সম্ভৱ হব ?

ঔৰং—( অলপ খঙেৰে ) সম্ভৱ নহব কিয় ? মিৰজুমলা ! আপুনি চতুৰ ঔৰংজীৱৰ সেনাপতি। দুৰ্ব্বল হলে ইমান সহজে কাম হাছিল নহব। ঔৰংজীৱৰ মস্তিস্ক বোধ হয় ঠিকেই আছে। সাহস নথকা হলে ঔৰংজীৱে অলঙ্ঘ্য পৰ্ব্বত লঙ্ঘিবলৈ যত্ন নকৰে। এতিয়া বুজিলেতো উজীৰ চাহেব? ফেটিসাপৰ মুখত হাত দিবলৈকো ঔৰংজীৱে ভয় নকৰে।

মিৰ—মোক ক্ষমা কৰিব।

ঔৰং—মুৰাদ ! আমি এতিয়াই যাত্ৰা কৰিব লাগিব। আজি ৰাতিয়েই নৰ্ম্মদা নদীৰ সিপাৰৰ সেই পৰ্ব্বত পাৰ হৈ আগ্ৰালৈ যাব লাগিব। নহলেতো আমাৰ আৰু অন্য বাট নাই। যশোৱন্ত সিংহ আগ্ৰালৈ ঘূৰাৰ আগতে যাতে

আমি আগ্ৰা দখল কৰিব পাৰোঁ তাৰ চেষ্টা কৰিব লাগিব।"
আমাৰ যাত্ৰাৰ সকলো আয়োজন কৰাগৈ যোৱা। যাওক
উজীৰ, আপুনিও মুৰাদক সহায় কৰকগৈ।

মিৰ—ভাল জাহাপানা।

মুৰাদ—আহিছোঁ ভাই চাহেব।

ঔৰং—যোৱা কিন্তু অতি সাবধান।

( মুৰাদ আৰু মিৰজুমলাৰ প্ৰস্থান )।

ঔৰং—( ভাৱি ভাৱি )! মুৰাদ তই ভাবিছ হিন্দুস্থানত তোৰ প্ৰতিষ্ঠা হব। এই আশাকে লৈ কুট চক্ৰান্ত ঔৰংজীৱৰ পক্ষত যোগ দিলিহি। মূৰ্খ। তোকো শেষ কৰিব লাগিব। প্ৰথমে দাৰা, তাৰ পিছত চুজা আৰু শেষত মুৰাদ। অপেক্ষা কৰ মুৰাদ, সময়ত কাল সৰ্প ই তোৰ ব্ৰহ্মতালুত দংশন কৰিব।

( প্ৰস্থান )।

## চতুৰ্থ দৰ্শন

[ কাশীত চুজাৰ সৈন্যশিবিৰ—চুজা আৰু পিয়াৰা ]।

পিয়াৰা—আপুনি এইদৰে মন মাৰি কি ভাৱিছে ?

চুজা—কি ভাবিছো তুমি কি জানিবা পিয়াৰা। এই বিদ্ৰোহ নকৰাই ভাল আছিল। ঔৰংজীৱ আৰু মুৰাদে একে লগ হৈ সম্ৰাটৰ বিৰুদ্ধে ঠিয় দিছে।

পিয়াৰা—এতিয়া আৰু ভাৱিলে একো লাভ নহয়। যুদ্ধ কৰক;

হয় জয়, নহয় পৰাজয়। সংসাৰলৈ আহিছে যেতিয়া আনন্দও কৰিব নলাগে।

চুজা—চিন্তাৰ মাজতো তুমি ভাল হুহুঁৱাৰ পাৰা। তোমাৰ ৰূপ যৌৱনে মোৰ দুঃখৰ সময়তো শান্তি দিয়ে। এটা বৰ ডাঙৰ কথা হল পিয়াৰা।

পিয়াৰা—কিমান ডাঙৰ?

চুজা—মোক পৰাজয় কৰিবৰ কাৰণে হিন্দুস্থানৰ ভাবী সম্ৰাট দাৰাই তাৰ পুত্ৰ চোলেমান আৰু জয় সিংহৰ অধীনত এটা বিৰাট সৈন্যবাহিনী পঠাইছে। কালিলৈকে আমাৰ সৈন্যৰ লগত তয়া-ময়া ৰণ লাগিব।

পিয়াৰা—ৰণ লাগিব, ৰণ কৰিব। সিহঁতক ঘটুৱাই সিংহাসন লব। চিন্তা কিহৰ?

চুজা—দাৰাৰ পিছত যে মোৰ প্ৰতিদ্বন্দী ঔৰংজীৱ আৰু মুৰাদ আছে। সিহঁতৰ সাহস আৰু বুদ্ধি কম নহয়।

পিয়াৰা—সিহঁত আছে থাওক। আপুনি যদি ভয় কৰে তেন্তে আপুনি কাপুৰুষ।

চুজা—ভয় কৰিম কিয়? ভয় কৰা হলে এই বিদ্ৰোহত ভৰিকে নিদিলো হেতেন।

পিয়াৰা—সেই বাবেইহে কৈছোঁ আপুনি এতিয়া প্ৰশংসাৰ পাত্ৰ হৈছে।

চুজা—মই যদি এতিয়া এই বিদ্ৰোহ এৰি বঙ্গদেশলৈ ঘূৰি যাও তেন্তে দাৰাই মোক আকৌ সেই চুবাদাৰ কামতে নিযুক্ত কৰিব। কিন্তু দাৰাৰ আনুগত্য স্বীকাৰ কৰিবৰ ইচ্ছা

নাই। সম্ৰাট চাজাহানৰ মৃত্যুৰ এটা মিছা বাতৰিহে প্ৰকাশ হল। সম্ৰাটৰ মৃত্যু হোৱা নাই।

পিয়াৰা—সম্ৰাট তেন্তে জীয়াই আছে ?

চুজা—জীয়াই আছে।

পিয়াৰা—আকাশত জোন বহু খিনি পালেগৈ। এতিয়া চিন্তামগ্ন হৈ থাকিব নালাগে। অলপ সুৰাপান কৰক। গাটোও লঘু লঘু লাগিব। চিন্তা দূৰ হব।

চুজা—আনা পিয়াৰা। চিন্তাত ডুবি থাকি সুৰাৰ কথা পাহৰিয়েই গৈছিলোঁ।

( পিয়াৰাই ঢুগিলাছমান সুৰা চুজাৰ মুখত দিয়ে। কিছু সময় চুজাই পিয়াৰালৈ চাই থাকে )।

পিয়াৰা—কেনে পাইছে ?

চুজা—খুব বেছ।

পিয়াৰা—নহয়, আপোনাৰ মনটো কেনে লাগিছে।

চুজা—সোনকালে ৰজা হৈ গৈছোঁ।

পিয়াৰা—হয়। আপুনি সম্ৰাট হৈছে। আপুনি মোৰ হৃদয়ৰ সম্ৰাট।

চুজা—হয় মই তোৰ সম্ৰাট। পিয়াৰা তই বৰ ধুনীয়া। মোৰ কাষলৈ আহ পিয়াৰা।

পিয়াৰা—মই জানো আজিহে ধুনীয়া ? আপোনাৰ কাষত মই সদায়েই ধুনীয়া।

চুজা—ধুনীয়া। ধুনীয়া পিয়াৰা। মোৰ ওচৰলৈ আহ।

( বাহিৰত হিটৈল আৰু বন্দুকৰ শব্দ চুজা আৰু পিয়াৰাই চমক খাই উঠে )।

চুজা—কিহৰ শব্দ হৈছে পিয়াৰা।

( আকৌ শব্দ হয় )।

চুজা—বন্দুক ! বন্দুক মাৰিছে পিয়াৰা। তেনেহলে শত্ৰু ?

পিয়াৰা—শত্ৰু প্ৰিয়তম। আপুনি সাৱধান হওক।

চুজা—এই মাজৰাতি শত্ৰু আক্ৰমণ। মোৰ সৈন্যবোৰ শুই পৰিছে। কাফেৰ হঁতে এই মাজৰাতি মোৰ শিবিৰ আক্ৰমণ কৰিছে। পিয়াৰা ! মই বাহিৰৰ পৰা আহো। মোৰ সৈন্য বিলাকক শোৱাৰ পৰা জগাই দি আহো। তুমি সাৱধানে ইয়াতে থাকো। মই এতিয়াই আহিম।

( চুজাৰ প্ৰস্থান, পিয়াৰাই বাহিৰলৈ চায় থাকে। কিছু সময়ৰ পিছত বেগেৰে চুজা সোমাই আহে। বাহিৰত পুনৰ বন্দুকৰ শব্দ হয় )।

চুজা—বাহিৰ ওলাব নোৱাৰিলোঁ পিয়াৰা। শত্ৰু। চাৰিউফালে শত্ৰু। আমাৰ শিবিৰ আক্ৰমণ কৰিছে। শুই থকা সৈন্য বিলাকক এফালৰ পৰা কাটি নিছে।

( বাহিৰত 'আল্লাহ আকবৰ' শব্দ হয় )।

কেনি পলাম পিয়াৰা। শত্ৰু ওচৰত। আহা, আহা।

( জয়সিংহ আৰু দিলীৰ খাঁ সোমাই আহে )।

চুজা—কাফেৰ ! অস্ত্ৰ ধৰ।

জয়—চাহাজাদা ! আমি কাফেৰ নহয়। চাহাজাদাই অস্ত্ৰ ধৰিবৰো আৱশ্যক নকৰে। মই ৰাজপুতবীৰ জয়সিংহ। বোধ কৰো চাহাজাদাই নিশ্চয় চিনি পাইছে। পলৰীয়া শত্ৰুৰ ওপৰত ৰাজপুত বীৰে অস্ত্ৰ নিক্ষেপ কৰি ধৰ্ম্মক

গ্লানি আনিব নোখোজে। আপুনি এই শিবিৰ এৰি আত্ম ৰক্ষা কৰিব পাৰে।

চুজা—আত্মৰক্ষা ?

জয়—হয় আত্মৰক্ষা। যাওক পলম নকৰিব। পলম হলে বিপদৰ সন্মুখত পৰিব। চোলেমান আহিপালেই আপোনাৰ আৰু ৰক্ষা নহব।

[ চুজা আৰু পিয়াৰাৰ প্ৰস্থান।

চুজা—আপুনি মহান জয়সিংহ।

জয়—দিলীৰ খাঁ! চুজাক পলাই যোৱাৰ সুবিধা দিয়াত কেনে হল ?

দিলীৰ—উচিত বুলি বিবেচনা নকৰোঁ।

জয়—কিয় ?

দিলীৰ খাঁ—দাৰাক বিশ্বাসঘাটক কৰা হল। ৰাজপুত বীৰেও যে এনেদৰে বিশ্বাসঘাটক কৰে তাৰ প্ৰমাণ আজিহে মহাৰাজৰ পৰা পাইছোঁ। ৰাজপুত জাতিও যে বিশ্বাসযোগ্য নহয় আজিহে বুজিছোঁ। ইমান দিনে ৰাজপুত জাতিৰ ওপৰত ভুল ধাৰণা কৰি আহিছিলোঁ। মানমৰ্য্যাদাৰ লালসাত জাতীয়ত্ব বিক্ৰী কৰা ৰাজপুত জাতিৰ ভিতৰত আপোনা-কেহে প্ৰথমে দেখিছোঁ। আপোনাৰ দেশৰ বুৰঞ্জীৰ পাত লুটিয়ালে দেখিব মহাৰাজ, ৰাজপুতৰ অক্ষুণ্ণ গৌৰৱ। চিৰচেনেহী মেৱাৰক মোগল সম্ৰাট আকবৰৰ কৱলৰ পৰা উদ্ধাৰ কৰিব নোৱাৰি ৰাণা প্ৰতাপসিংহই পৰ্ব্বতৰ ওপৰত চকুলো টুকি টুকি দেহ সমাপন কৰিছিল। আপোনাৰ

দৰে সম্ৰাটৰ পৰাধীনতা স্বীকাৰ কৰা হলে ৰাণা প্ৰতাপে আকবৰৰ ৰাজসভাত উচ্চপদ লাভ কৰিব পাৰিলে হেতেন।

জয়—তোমাৰ মগজুৰে ৰাজনীতিৰ কথা ঢুকি নাপাই দিলীৰ খাঁ।

দিলীৰ—মোক ক্ষমা কৰিব মহাৰাজ।

জয়—দিলীৰ খাঁ! মানুহৰ আশা অসীম। ঔৰংজীৱে তোমাক আৰু মোক যি আশা দেখুৱাইছে সেই আশা তুমিও নিশ্চয় কৰিছা। এইটো কথা জানি থোৱা দিলীৰ খাঁ, হিন্দুস্থানৰ ভাবী সম্ৰাট ঔৰংজীৱহে—দাৰা নহয়। অপাত্ৰ আৰু অযোগ্যজনৰ কাৰণে আমাৰ শক্তি ক্ষয় কৰা আৱশ্যক নকৰে। সৌৱা চাহাজাদা চোলেমান আহি পালেহি।

( চোলেমানৰ প্ৰবেশ )।

চোলেমান—মহাৰাজ! চুজাক বন্দী কৰা হৈছেনে?

জয়—চাহাজাদা! আমাৰ দুৰ্ভাগ্য। আমি শিবিৰ সোমোৱাৰ পূৰ্ব্ব মুহূৰ্ত্ততে চুজাই পলায়ণ কৰিছে। আমি অতি হতাশ মনেৰে ইয়াতে চাহাজাদালৈ অপেক্ষা কৰি আছোঁ।

চোলেমান—চুজা পলাই গৈছে? ( হতাশ হৈ পৰে ) ইমান চেষ্টা ইমান শক্তিক্ষয় সকলো ব্যৰ্থ। মোৰ আদেশ মতে আপুনি কাম নকৰিলে কিয় মহাৰাজ?

জয়—চাহাজাদাৰ আদেশ মতেই সকলো কৰা হৈছিল।

চোলেমান—মিছা কথা। ৰাজপুত হৈ মিছা কথা কবলৈ লাজ নালাগেনে জয়সিংহ। আপোনাৰ অকৰ্ম্মণ্যতাৰ বাবে চুজা পলাই সাৰিছে।

জয়—চাহাজাদা দেখিছোঁ বৰ উত্তেজিত হৈছে।

চোলেমান—কথা নকব মহাৰাজ! আপোনালোকক বিশ্বাস কৰাতোৱেই মোৰ মহা ভুল হৈ গল। জানেনে চুজাৰ' পলায়নে আব্বাজানৰ সিংহাসন আৰোহণত কি অন্তৰায় ঘটিব। মোৰ ওপৰতেই, আপোনাৰ ওপৰতেই—সৌ খাঁ চাহেবৰ ওপৰতেই আব্বাজানৰ ভবিষ্যত নিৰ্ভৰ কৰিছে। আপোনালোকৰ এই অযোগ্যতাৰ ফলতেই এই বিদ্ৰোহে বিপৰীত ৰূপ ধাৰণ কৰিব।

জয়—চাহাজাদা! আপুনি ৰাজপুতৰ সন্মান ক্ষুণ্ণ কৰিছে।

চোলেমান—ৰাজপুতৰ সন্মান! মোগল সম্ৰাটৰ অধীনস্থ ৰাজপুতৰো জানো সন্মান থাকে?

দিলীৰ—চাহাজাদা! আমাৰ দোষ হৈছে। আমাৰ অযোগ্যতাৰ কাৰণে আমি নিজেই দুঃখ পাইছোঁ।

জয়—চাহাজাদা! মই আপোনাৰ অধীনস্থ কৰ্ম্মচাৰী নহয়। আপোনাৰ আদেশ মই নামানিবও পাৰোঁ।

চোলেমান—আপুনি মোৰ সম্পূৰ্ণ অধীনত জয়সিংহ। মনত ৰাখিব —মোৰ আদেশ প্ৰতি আখৰে আখৰে পালন কৰিবলৈ আপুনি বাধ্য।

জয়—যদি পালন নকৰোঁ?

চোলেমান—তেতিয়া আপুনি ক্ষমাৰ অযোগ্য। মনত ৰাখিব জয়সিংহ এই বিশ্বাসঘাটকৰ পৰিণাম অতি গুৰুত্বৰ। ইয়াৰ বিচাৰ এতিয়া নহয় জয়সিংহ—এই বিচাৰ হব সম্ৰাটৰ সন্মুখত আগ্ৰা নগৰত। (প্ৰস্থান)।

## পঞ্চম দৰ্শন ।

[ আগ্ৰা নগৰৰ সীমান্ত—মিৰজুমলা আৰু ঔৰংজীবে
কথা পাতি সোমাই আছে । ]

ঔৰং—উজীৰ চাহেব ! এয়ে আগ্ৰা নগৰৰ সীমান্ত । সৌ অদূৰ সন্মুখলৈ চাওকছোন । দেখিছে ?

মিৰ—ওঁহো ।

ঔৰং—দেখা নাই ? শাৰী শাৰী হৈ থকা দাৰাৰ দুৰ্জ্জয় সৈন্য-বাহিনী আপুনি দেখা নাই ? চাওক । সৌবোৰ শাৰী শাৰী পুতি থোৱা কামান । সৌবোৰ বন্দুকধাৰী আৰু অস্ত্ৰধাৰী সৈন্য ।

মিৰ—ইয়া আল্লা ! দাৰাৰ আচৰিত ৰণকৌশল ।

ঔৰং—সুদূৰত দেখিছে সৌ আকাশ লঙ্ঘি থকা মাতৃৰ সমাধি মন্দিৰ—তাজমহলৰ উচ্চ চূড়া । তাজমহল মোগল সাম্ৰাজ্যৰ ভাস্কৰ্য্যৰ অপূৰ্ব্ব নিদৰ্শন । তাজমহলৰ পৰা কিছুদূৰ গলেই আগ্ৰাৰ দুৰ্জ্জয় দুৰ্গ । যত দিল্লীৰ অধীশ্বৰ, হিন্দুস্থানৰ সম্ৰাট চাজাহান আছে । সেই অভেদ্য দুৰ্গ আমি জয় কৰিব লাগিব ।

মিৰ—জাহাপানাৰ সাহস প্ৰশংসা নকৰি নোৱাৰি ।

ঔৰং—খোদা ! আজি বহুত দিনৰ মূৰত আগ্ৰাৰ সীমান্তত উপস্থিত হৈছোহি । হয় ইয়াতে নিজক প্ৰতিষ্ঠা কৰি খোদাৰ ৰাজ্য বৃদ্ধি কৰিম নতুবা কবৰৰ অতল গৰ্ভত মহানিদ্ৰা কৰিম ।

( মুৰাদৰ প্ৰবেশ

মুৰাদ—ভাই চাহেব ! দাৰাৰ সৈন্যই আক্ৰমণ কৰিছে ।

ঔৰং—আক্ৰমণ কৰিছে ? যোৱা ক্ষন্তেকো পলম নকৰি আক্ৰমণ কৰা ।

( মুৰাদৰ প্ৰস্থান ) ।

ঔৰং—আহক উজাৰ চাহেব । মহাপ্ৰলয়ৰ সৃষ্টি কৰি চাৰিউফালৰ পৰা আমিও দাৰাৰ সৈন্য আক্ৰমণ কৰোগৈ ।

( দুয়োৰে প্ৰস্থান ) ।

( সঘনে কামানৰ শব্দ শুনা যায় । যুদ্ধৰ ধ্বনী হয় । মুৰাদ আৰু দাৰাই যুদ্ধ কৰি প্ৰবেশ কৰে । কিছু সময়ৰ পিছত মুৰাদ ভাগৰি পৰি যায় । মুৰাদক হত্যা কৰিবলৈ ধৰোতে মিৰজুমলাই তৰোৱালেৰে বাধা দিয়ে পিছ ফালৰ পৰা দাৰাকে হত্যা কৰিবলৈ আয়োজন কৰোঁতে হঠাতে মহম্মদ খাঁই ঔৰংজীৱক বাধা দিয়ে । মিৰজুমলা আৰু দাৰা আতৰি যায় । )

মহম্মদ খাঁ—নিৰ্লজ্য বিদ্ৰোহী ঔৰংজীৱ । ইমানেই তোৰ বীৰত্ব । অন্যাই ৰূপৰে দাৰাকে বধ কৰিবলৈ বিচাৰি ৰাজসিংহাসনৰ কামনা কৰিছ । পিতৃৰ জীৱিত অৱস্থাত নিজ পিতৃক ৰাজ্যচ্যুত কৰি, ৰাজ্যৰ আশাত সুদূৰ দাক্ষিণাত্যৰ পৰা লৰি আহিছ । ৰাজ্যলোভী, এয়ে তোৰ কোৰাণৰ মহামন্ত্ৰ. এয়ে তোৰ প্ৰতি খোদাৰ আদেশ ।

ঔৰং—অস্ত্ৰ ধৰ পিশাঁচ ।

( দুয়োৰে কিছু সময় যুদ্ধ হয় । হঠাৎ মহম্মদ খাঁ মাটিত বাগৰি পৰে । ঔৰংজীৱে মহম্মদ খাঁৰ বুকুৰ ওপৰত বহি হত্যা কৰে । )

ঔৰং—মহম্মদ খাঁ । আৰু এবাৰ ক, ঔৰংজীৱ নিৰ্লজ্য,

ৰাজ্যলোভী। তাৰ ফল, কাল সৰ্পৰ মুখত হাত দিয়াৰ প্ৰতি ফল।

( প্ৰস্থান )।

মহম্মদ খাঁ—আ-ল্লা। ( মৃত্যু )

( ব্যাগ্ৰভাবে দাৰাৰ প্ৰবেশ )।

দাৰা—হাঁয় খোদা! ৰণৰ অৱস্থা পলকতে বিপৰীত হৈ গল। বিশ্বাসী সেনাপতি চায়েস্তা খাঁ, জয়সিংহ আৰু যশোৱন্ত সিংহৰ বিশ্বাস ঘাটকতা। সকলোৰে বিশ্বাস নাই। বিশ্বাস কৰিম কাক। এটা শক্তিমন্ত ফৌজ হঠাতে পৰাজয় হৈ গল। চাৰিউফালে শত্ৰুয়ে বেঢ়ি ধৰিছে। সকলোকে লাগে মাথো দাৰাৰ প্ৰাণ। আব্বাজান! মোক ক্ষমা কৰিব। মই আপোনাক ৰক্ষা কৰিব নোৱাৰিলোঁ—মোগল সাম্ৰাজ্য ৰক্ষা কৰিব নোৱাৰিলোঁ। ঔৰংজীৱৰ কূট ৰণ-কৌশলত আমাৰ পৰাজয়—ধৰ্ম্মৰ পৰাজয়—খোদাৰ পৰাজয়।

( বেগেৰে প্ৰস্থান )।

( ঔৰংজীৱ আৰু মুৰাদৰ বেগেৰে প্ৰবেশ )।

ঔৰং—কেনি পলাল মুৰাদ! এই ফালেই তো দাৰা আহিছিল। যোৱা ভাই দাৰাক অনুসৰণ কৰা। তাক বন্দী কৰিব নোৱাৰিলে আমাৰ নিৰাপদ নহয়।

( মুৰাদৰ প্ৰস্থান, বিপৰীত ফালৰ পৰা মহম্মদ আৰু মিৰজুমলাৰ প্ৰবেশ )।

মহম্মদ—আব্বাজান। আগ্ৰাৰ পৰা দৰা পলাই গৈছে।

মিৰ—আমাৰ অভিযান ব্যৰ্থ হৈ গল জাহাপানা।

ঔৰং—ব্যৰ্থ হোৱা নাই মিৰজুমলা। ঔৰংজীৱৰ জীৱনত পৰাজয় নাই। দাৰা পলাইছে পলাওক। ঔৰংজীৱৰ চকুত ধূলি দি কত সাৰিব। কাল সৰ্পৰ গাতত থাকিলেও তাক টানি উলিয়াই আনিম। দাৰাৰ ছিন্নমুণ্ডৰে সম্ৰাট চাজাহানক দিব লাগিব ঔৰংজীৱে দাক্ষিণাত্যৰ পৰা অনা সম্ৰাটৰ উপহাৰ। হৃদয়ৰ প্ৰতি স্তৰে স্তৰে সম্ৰাটে উপলব্ধি কৰিব লাগিব ঔৰংজীৱৰ শৌৰ্য্যবল, ঔৰংজীৱৰ পৰাক্ৰম আৰু প্ৰতিক্ষণে অনুভৱ কৰিব লাগিব ভাগ্যৰ লাঞ্ছনা—নিয়তিৰ কুটিল চক্ৰ। মহম্মদ। যা দাৰাৰ অনুসৰণ কৰ।

( মহম্মদৰ প্ৰস্থান )।

ঔৰং—উজীৰ আপুনি কি ভাবিছে ?

মিৰ—ভাবিছো জাহাপানাৰ অসীম সাহস আৰু ৰণ নিপুণতাৰ কথা।

ঔৰং—উজীৰ! ইমানতে আমাৰ কাম শেষ হোৱা নাই আৰু বহু খিনি সঙ্কট পূৰ্ণ কাম কৰিব লগা আছে। আগ্ৰা দুৰ্গ দখল কৰি সেই দুৰ্গতে সম্ৰাট চাজাহানক বন্দী কৰি ৰাখিব লাগিব। তাৰ পিছত দাৰা আৰু চুজাৰ অনুসৰণ। আহক।

( দুয়োৰে প্ৰস্থান )।

## ষষ্ঠ দৰ্শন ।

[ এলাহাবদত চোলেমানৰ শিবিৰ। বিষণ্ণ মনে
চোলেমান বহি থাকে। ওচৰত
জয়সিংহ আৰু দিলীৰ খাঁ। ]

চোলেমান—মহাৰাজ ! কওক। মোৰ কথাত সন্মতি দিছেনে নাই দিয়া। আব্বাজানক এই মহবিপদত ৰক্ষা কৰা আপোনালোকৰ উচিত হব। আন নহলেও প্ৰাণ ৰক্ষা কৰিবলৈ সুবিধা দিয়ক। যি এদিন আছিল দিল্লীৰ ৰাজ-সিংহাসনৰ ভাবী সম্ৰাট সি আজি নিয়তিৰ কাল চক্ৰত পৰি হল ৰাজ্যচ্যুত, গৃহচ্যুত—পথৰ ভিক্ষাৰী। আপোনা-লোকে এনে অৱস্থাত অকনো সহানুভূতি নিদেখুৱাবলে ? মোৰ আদেশ নহয় সম্ৰাট চাজাহানৰ আদেশ। আপোনালোক সম্ৰাটৰ অধীনস্থ। সম্ৰাটৰ এই আদেশ পালন কৰা নিতান্ত প্ৰয়োজনীয়।

জয়—আমাৰ গাত দোষ কি চাহাজাদা। আমি চাহাজাদা দাৰাৰ আদেশত ইয়ালৈ অহা নাছিলোঁ—আহিছিলো সম্ৰাটৰ ৰাজ প্ৰতিনিধি দাৰাৰ আদেশত। এতিয়া দাৰা সম্ৰাটৰ প্ৰতিনিধি নহয়। সম্ৰাটৰ প্ৰতিনিধি ঔৰংজীৱ। কেৱল সিমানেই নহয় ঔৰংজীৱ হিন্দুস্থানৰ সম্ৰাট। ঔৰংজীৱৰ বিনা আদেশত আমি এখোজো আগবাঢ়িব নোৱাৰোঁ।

চোলেমান—দিলীৰ খাঁ ! আপুনিও তাকেই কবনে ? আপোনা-লোকৰ হিয়াত অনুকম্পাৰ ইমান কাৰ্পণ্য। মানুহৰ অন্তৰ ইমান কঠোৰ হব নোৱাৰে দিলীৰ খাঁ।

দিলীৰ—প্ৰভুৰ আদেশ আমি অমাণ্য কৰিবৰ অধিকাৰ কত ?

চোলেমান—খাঁ চাহেব ! ই আপোনাৰ প্ৰভুৰ আদেশ নহয়। ঔৰংজীব দিল্লীৰ সম্ৰাট নহয়। বিপদত এনে ৰক্ষা সকলোৰে কৰ্ত্তব্য। কওক জয়সিংহ মোক সহায় কৰিবনে ?

জয়—সম্ভৱ নহয় চাহাজাদা।

চোলেমান—হায় তগদ্দীৰ ! ভাগ্যৰ কি বিপৰ্য্যয়। আপনালোকে এনে বিশ্বাস ঘাটকতা কৰিব বুলি মই ভৱা নাছিলোঁ। তলে তলে ষড়যন্ত্ৰ কৰি চুজাক পলাই যাবলৈ সুবিধা দিলে আপুনিয়েই জয়সিংহ। চিঃ এনে কাৰ্য্যও যে ৰাজপুতে কৰিব পাৰে। আজি মই সম্ৰাট হোৱা হলে আপোনাৰ নিছিনা বিশ্বাস ঘাটকৰ মুৰ তৰোৱালেৰে খণ্ড কৰিলো হেতেন !

জয়—চাহাজাদা ! জানেনে আপুনি কাৰ আগত কথা কৈছে ?

চোলেমান—জানো সম্ৰাটৰ বিশ্বাস ঘাটক, ৰাজপুত জাতিৰ কলঙ্ক, ঔৰংজীৱৰ ভৃত্য জয়সিংহৰ আগত কৈছোঁ।

জয়—চাহাজাদা। এই অপমানৰ পৰিনাম ভীষণ হৈ উঠিব। ৰাজপুতে কেতিয়াও অপমান সহ্য নকৰে।

চোলেমান—অপমান সহ্য নকৰে কি কৰিব মহাৰাজ। আপোনাৰ কি শক্তি আছে যে মোক শাস্তি বিধান কৰে।

জয়—চাহাজাদা। ইচ্ছা কৰিলে এই মুহূৰ্ত্ততে আপোনাক বন্দী কৰি থব পাৰোঁ।

চোলেমান—লাজ নালাগেনে মহাৰাজ জয়সিংহ। কাৰ আগত

এই আস্ফালন। ইমান যদি আপোনাৰ বলবিক্ৰমেই আছিল তেনেহলে নিজৰ মানমৰ্য্যাদা মোগলৰ পদপ্ৰান্তত সপি দি ঔৰংজীৱৰ ভৃত্য কৰিবলৈ নাহিল হেতেন।

জয়—চোলেমান। ( তৰোৱাল উলিয়াই )।

চোলেমান—জয়সিংহ। ( তৰোৱাল উলিয়াই )।

দিলীৰ খাঁ—চাহাজাদা। মহাৰাজ জয়সিংহ! আপোনালোকৰ এই কাৰ্য্য সমুচিত নহয়। চাহাজাদা মই বুজিছোঁ। সকলো কথাকে মই উপলব্ধি কৰিছোঁ। জয়সিংহই সহায় নকৰে নালাগে। মই সম্ৰাটৰ নিমখ খাই, নিমখ হাৰাম নকৰোঁ। বলক মোৰ অধীনস্থ সকলো সৈন্য লৈ গৈ দাৰাক সহায় কৰোগৈ।

( জয়সিংহৰ প্ৰস্থান )।

চোলেমান—আহক তেনে খাঁ সাহেব। আব্বাজানক বন্দী কৰিবৰ কাৰণে ঔৰংজীৱে ইতিমধ্যে বহুত সৈন্য পঠাইছে। আমি সোনকালে গৈ আব্বাজানক লগ ধৰিব নোৱাৰিলে সকলো অসাৰ হৈ যাব। আব্বাজানৰ সহায়ৰ কাৰণে সম্ৰাটে বহুত মানুহ আৰু আৱশ্যকীয় সামগ্ৰি পঠাইছে।

দিলীৰ—বলক চাহাজাদা।

( দুয়োৰে প্ৰস্থান )।

## সপ্তম দৰ্শন।

[ আগ্ৰাৰ দুৰ্গ—চাজাহান আৰু জাহানাৰা ]।

চাজাহান—( শোৱাৰ পৰা উঠি ) জাহানাৰা ! জাহানাৰা ! মোৰ সৰ্ব্বস্ব গল আই। কি দুঃস্বপ্ন। স্বপ্নৰ ফল নিশ্চয় ফলিয়াব।

জাহানাৰা—স্বপ্ন দেখিছিল আব্বাজান ? মানুহ দুৰ্ব্বল হলে এনে বিলাক স্বপ্নই আগুৰি ধৰেই।

চাজাহান—নহয়—নহয় জাহানাৰা। মোৰ দাৰাক সিহঁতে হত্যা কৰিলে।

জাহানাৰা—এই বোৰ কথা নাভাৱিব আব্বাজান। আপুনি ৰুগ্ন। শুই থাকক।

চাজাহান—শুম। চিৰদিনৰ কাৰণে শুম আই। ঔৰংজীৱ দিল্লীৰ ৰাজসিংহাসনত বহাৰ আগতে শুম। কিন্তু দাৰা… উস্! কি ভয়ানক সপোন।

জাহানাৰা—কি সপোন দেখিছিল আব্বাজান ?

চাজাহান—কবলৈ গা শিয়ঁৰী উঠে। জাহানাৰা! ঔৰংজীৱে আগ্ৰা দুৰ্গ দখল কৰি মোক বন্দী কৰিলে আৰু প্ৰাণৰ দাৰাক বিনা বিচাৰে হত্যা কৰিলে।

জাহানাৰা—চিন্তা নকৰিব আব্বাজান। আপোনাৰ শৰীৰৰ দুৰ্ব্বল। এতিয়া চিন্তা কৰি একো লাভ নাই। দাৰাৰ সহায়ৰ কাৰণে মানুহ পঠোৱা হৈছে আৰু ৰাজভড়ালৰ পৰা যথেষ্ট ধন পঠোৱা হৈছে। চোলেমানে দিলীৰ থাঁৰ সৈতে

সৈন্যসামন্ত লৈ বাহিৰে বাহিৰেই জাহাপানাৰ আদেশ মতে দাৰাৰ সহায়ৰ কাৰণে যাত্ৰা কৰিছে।

চাজাহান—সিহঁত গৈছে জাহানাৰা ?

জাহানাৰা—গৈছে আব্বাজান।

চাজাহান—তেন্তে এটা ক্ষীণ আশা কৰিব পাৰা যায়। দুৰ্গৰ দুৱাৰ মেলি দিয়া হলনেকি জাহানাৰা ?

জাহানাৰা—তৃষ্ণাতুৰ মানুহৰ কাতৰ আৰ্ত্তনাদত দুৰ্গৰ দুৱাৰ মেলি দিয়া হল।

চাজাহান—ওঁ! ঔৰংজীৱ কত ? মই তাক পালে নিজ হাতে শাস্তি দিম। নহলে তাক মোৰ কাষত বহুৱাই মৰম স্নেহ কৰি দাক্ষিণাত্যলৈ পঠাই দিম। সি মোৰ কথা শুনিবনে জাহানাৰা ?

জাহানাৰা—সি কথা শুনা হলে ইমান দূৰ আগ নাবাঢ়ে আব্বাজান।

চাজাহান—মোৰ তৰোৱাল আন জাহানাৰা। মই দুৰ্গৰ বাহিৰলৈ ওলাই যাওঁ। দোষীক শাস্তি দিম। বিদ্ৰোহী ঔৰংজীৱক বুজাই দিম গৈ সম্ৰাট চাজাহানৰ শাসন পুতলাৰ খেলা নহয়। মোক বাহিৰলৈ যাবলৈ দে জাহানাৰা। মোক ঔৰংজীৱৰ ওচৰলৈ যাবলৈ দে।

( ঔৰংজীৱ আৰু মহম্মদৰ প্ৰবেশ )।

ঔৰং—মোক বিচাৰি বাহিৰলৈ যাব নালাগে আব্বাজান। মই নিজেই আহিছোঁ।

চাজাহান—ঔৰংজীৱ—ঔৰংজীৱ তই আহিছ ? ৰাজদ্ৰোহী,

সম্ৰাটৰ অযোগ্য সন্তান। জাহানাৰা! জাহানাৰা! মোৰ তৰোৱাল দে—মোৰ তৰোৱাল দে।

ঔৰং—সম্ৰাটৰ অযোগ্য সন্তানেই আজি প্ৰমাণ কৰিছে হিন্দুস্থানৰ ভাবী সম্ৰাটৰ যোগ্যতা দাবাৰ নাই, আছে এই খোদ ঔৰংজীৱৰ।

চাজাহান—বিদ্ৰোহী! কোন আছ, এই বিদ্ৰোহীক বন্দী কৰ।

ঔৰং—আজি আপোনাৰ হুকুম পালন কৰিবলৈ কোনো নাই। ঔৰংজীৱে সিংহাসনৰ কাৰণে নতুন অভিনয় কৰা নাই। সম্ৰাট চাজাহানে যি অভিনয় কৰি আহিছে ঔৰংজীৱেও তাকেই কৰিছে। সম্ৰাটে বৃদ্ধ কালত ৰাজ্যৰ চিন্তা কৰি কষ্ট কৰিব নালাগে। আনকি এই দুৰ্গৰ বাহিৰ ওলাই যাবলৈ আৱশ্যক নকৰে। জাহাপানাৰ সকলো সুব্যৱস্থা মই কৰি ৰাখিছোঁ।

চাজাহান—ঔৰংজীৱ তই পাহৰি গৈছ হিন্দুস্থানৰ সম্ৰাট কোন।

ঔৰং—মই পাহৰি যোৱা নাই। আজি আপোনাক হিন্দুস্থানৰ সম্ৰাট বুলি কোনেও স্বীকাৰ নকৰে।

চাজাহান—স্বীকাৰ নকৰিব কিয়?

ঔৰং—স্বীকাৰ নকৰে জাহাপানা।

চাজাহান—তেন্তে হিন্দুস্থানৰ সম্ৰাট কোন?

ঔৰং—আৰু কোন হব। আপোনাৰ সম্মুখত যি আছে সেই ঔৰংজীৱ।

চাজাহান—ঔৰংজীৱ? ঔৰংজীৱ? অসম্ভৱ। চাজাহান মৰা

নাই। এতিয়াও জী আছে। এতিয়াই এই মুহূৰ্ত্তত তোক আগ্ৰাৰ পৰা বাহিৰ কৰি দিম।

ঔৰং—সেই শক্তি আজি জাহাপানাৰ নাই। জাহাপানা সম্ৰাট ঔৰংজীৱৰ বন্দী।

চাজাহান—ঔৰংজীৱৰ বন্দী? জাহানাৰা তৰোৱাল দে?

জাহানাৰা—আব্বাজান। (চকুলো টোকে)।

ঔৰং—মহম্মদ! বন্দী কৰ।

(মহম্মদে বন্দী কৰিবলৈ আগ বাঢ়িব নোখোজে)।

জাহানাৰা—(ঔৰংজীৱৰ ভৰিত ধৰি) চাহাজাদা! চাহাজাদা!! আব্বাজানক ক্ষমা কৰক। দিল্লীৰ সিংহাসন আপুনি লওক। আব্বাজানক বন্দী নকৰিব। ৰুগ্ন সম্ৰাটৰ ফালে এবাৰ ভাৰি চাওক চাহাজাদা। (কান্দে)।

ঔৰং—জাহানাৰা! ঔৰংজীৱৰ হৃদয় অতি কঠিন। তোৰ কথা অবজ্ঞা নকৰোঁ। জাহানাৰা। হাতত শিকলিৰ বান্ধ নাথাকিলেও সম্ৰাট আজিৰ পৰা বন্দী। কোনো দিনে এই দুৰ্গৰ দুৱাৰ মেলি বাহিৰ ওলাব নোৱাৰিব।

(ঔৰংজীৱ আৰু মহম্মদৰ প্ৰস্থান)।

চাজাহান—জাহানাৰা! সকলো সপোন। সপোনৰ পিছত আকৌ দিথক আহিব। নাই, সপোন নহয়। মই সম্ৰাট নে বাটৰ ভিকহু। আজি অনুতাপ আহিছে, সম্ৰাট জাহাঙ্গীৰেও এনেকুৱা এটা দিনত মোৰ নিচিনাকৈ চকুলো

টুকিছিল। তই কান্দিছ জাহানাৰা। চাজাহানৰ জীৱনৰ পৰিবৰ্ত্তন আহিল যি দিনাই মৰমৰ মমতাজে চকু মুদিলে। কান্দি কান্দিয়েই জীৱনৰ আধাভাগ পাৰ কৰিলোঁ"। কান্দিব জানিলেও সুখ পাই জাহানাৰা'।

জাহানাৰা—আপুনি শোৱক আব্বাজ্বান। আপোনাৰ অসুখ বাঢ়ি যাব।

চাজাহান—ক'ত শুম। শুবলৈ মোৰ কতো ঠাই নাই। বন্দী জীৱনত শান্তি আছে জানো আই। ভাৱিছো মই কোন দিনা মৰিম। তেতিয়া শান্তি পাম জাহানাৰা।

( জাহানাৰাই বাপেকক ধৰি শুৱাই )।

---

# দ্বিতীয় অঙ্ক

## প্ৰথম দৰ্শন।

[ দিল্লীৰ মন্ত্ৰণা কক্ষ—সময় ৰাতি।
ঔৰংজীৱ আৰু মিৰজুমলা। ]

ঔৰং—ভোজৰ সকলো আয়োজন হৈছেনে উজীৰ ?

মিৰ—সকলো আয়োজন কৰা হৈছে।

ঔৰং—নাচ-গান, সুৰা-পান আদিৰ ব্যৱস্থা কৰি অতিৰিক্ত সুৰাপান নকৰালে মুৰাদক বন্দী কৰা সম্ভৱ নহয়। মুৰাদৰ বল-বিক্ৰম সামান্য নহয়। তাৰ নিজৰো যথেষ্ট সৈন্যবল আছে। চাব—অতি সাবধান, যাতে মুৰাদক বন্দী কৰা কোনেও গম নাপায়। তাৰ সৈন্য বিলাকে সোনকালে এই কথাৰ গম পালে বিদ্ৰোহ জ্বলি উঠিব। চাহাজাদা মহম্মদেও যাতে এই বাতৰি পাব নোৱাৰে তাৰ কাৰণে হুছিয়াৰ হব লাগিব। আজি বহু দিনৰ পৰা মহম্মদৰ মনোভাব মই লক্ষ্য কৰি আহিছোঁ। সি মোৰ এই বিদ্ৰোহ মুঠেই ভাল পোৱা নাই। ইয়াৰ পিছত চুজাৰ বিৰোদ্ধে আমি বঙ্গদেশলৈ যুদ্ধ যাত্ৰা কৰিব লাগিব। এই যাত্ৰাৰ আগতে কিছুদিনৰ কাৰণে মহম্মদকো যি কোনো উপায়েৰে আতক কৰি ৰাখিব লাগিব। আন নহলেও অন্ততঃ চুজাক বন্দী কৰি অনালৈকে। মহম্মদ চুজাৰ প্ৰধান সহায়।

মিৰ—ই কি কথা জাহাপানা ?

ঔৰং—আপুনি নাজানে। চুজাৰ কন্যা নুৰজানৰ মহম্মদ প্ৰণয় প্ৰাৰ্থী। আগ্ৰা দুৰ্গ দখল কৰাৰ পিছতে মহম্মদ গোপনে বঙ্গদেশলৈ গল। আজিও ঘূৰা নাই। চুজাৰ অন্তৰতো মহম্মদৰ প্ৰতি অৱিশ্বাস জন্মাব লাগিব। চুজাৰ বিশ্বাস হব লাগিব যে মহম্মদ প্ৰকৃততে নুৰজানৰ প্ৰণয় প্ৰাৰ্থী নহয় ঔৰংজীৱৰ গুপ্তস্বৰ। চুজাৰ হাতত যাতে মহম্মদ অপমানিত হয় তাৰ যত্ন কৰিব লাগিব। তেতিয়া হলে চুজাক বন্দী কৰা সহজ হব।

মিৰ—জাহাপানাৰ বুদ্ধি উত্তম হৈছে।

ঔৰং—উজীৰ সাবধান, যাতে আমাৰ অভিযান ব্যৰ্থ নহয়।

মিৰ—তাৰ কাৰণে চিন্তা নাই।

( মুৰাদৰ প্ৰবেশ )।

মুৰাদ—আদাপ ভাই চাহেব।

ঔৰং—বহা ভাই। তোমাৰ কাৰণেই অপেক্ষা কৰি আছোঁ।

মুৰাদ—আজিনো ভোজৰ কিয় আয়োজন কৰিলে ?

ঔৰং—তোমাক সম্ভাষণ জনাবলৈ। কালিলৈকে আমি দাৰা আৰু চুজাৰ বিৰোদ্ধে যাত্ৰা কৰিব লাগিব। যুদ্ধত কাৰ কি হয় কোনে জানে। জিকিলে তুমি আৰু মই হম হিন্দুস্থানৰ সম্ৰাট। পৰাজয় হলেতো আৰু দেখাদেখি নহব ভাই। সেয়েহে আজি এই আয়োজন কৰিছোঁ।

মুৰাদ—ভালেই হৈছে। দাৰাৰ কাৰণে ভাৱিব লগা আছে। ইতিমধ্যে ৰাজধানীৰ পৰা যোৱা বহু সৈন্য সামন্তই দাৰাৰ

লগ লাগিছে গৈ। ৰাজ-ভড়ালৰ পৰা বহুত টকা পইচাও পঠালে বুলি শুনিছোঁ।

ঔৰং—উজীৰ। যাওক। ৰাতিও বহুত হৈছে। খোৱাৰ আয়োজন কৰক গৈ। কালিলৈ প্ৰাতসতে আমি যাত্ৰা কৰিব লাগিব।

( মিৰজুমলাৰ প্ৰস্থান )।

মুৰাদ—যাত্ৰাৰ আয়োজন হৈ আছে জানো ?

ঔৰং—সকলো ঠিক আছে।

( মিৰজুমলা সোমাই আহে )।

মিৰ—জাহাপানা। খোৱাৰ আয়োজন সকলো ঠিক হৈ আছে।

ঔৰং—বলা মুৰাদ। আহক উজীৰ।

( তিনিউ ভিতৰলৈ সোমাই যায়, এনে সময়েতে বাইজীয়ে মদৰ বটল, গিলাছ আদি আনি জোগাৰ কৰে। কিছু সময়ৰ পিছত তিনিউ সোমাই আহি নিজ নিজ .আসনত বহে। )

ঔৰং—উজীৰ ! কিবা নাচ-গানৰ আয়োজন আছে নিকি ?

মিৰ—হয় জোনাব।

ঔৰং—মুৰাদ। তোমালোকে অলপ আনন্দ কৰা। মই বৰ ক্লান্ত। মই অলপ বিশ্ৰাম লওগে। এতিয়া আৰু নাচ-গানে আমাক আনন্দ দিব নোৱাৰে।

মুৰাদ—যাওক ভাই চাহেব।

(ঔৰংজীবৰ প্ৰস্থান)।

মুৰাদ – বাইজী – বাইজী ?

( বাইজী সোমাই আহে )।

নাচ-গানৰ আয়োজন কৰ।

বাইজী – ( গীত )।

তুনীয়া মছগুল
প্ৰেম বিয়াকুল,
কাৰ অপেক্ষাত
হইছা আকুল।
মন কুমলীয়া
প্ৰাণ উৰনীয়া,
ফুল চুমি চুমি
ভোমোৰা বলিয়া।

( নাচৰ লগে লগে বাইজীয়ে মুৰাদৰ মুখত মদ দিয়ে। মুৰাদে ইগিলাচৰ পিছত সি গিলাচ খাবলৈ ধৰে )।

মুৰাদ—গা প্যাৰী। আকৌ গা—তুনীয়া মছগুল, প্ৰেম ব্যাকুল। মই পৃথিবীত নে বেহেস্তত। তোৰ ৰূপ মদিৰাই মোক ব্যাকুল কৰি তুলিছে। আন প্যাৰী—আৰু আন, হৃদয় গুলজাৰ হৈ যাওক।

( বাইজীয়ে নাচি নাচি মদ খাবলৈ দিয়ে )।

প্যাৰী! তুই আস্মানৰ পৰা আহিছ ? ইয়াত তোক মই কতো দেখা পোৱা নাছিলোঁ। কত সুন্দৰী তই। আকৌ তোৰ নৃত্য ভঙ্গিৰে মোৰ কাষ চাপি আহ। তই মোৰ বুকুৰ কলিজা। গা প্যাৰী আকৌ গা।

( বাইজীয়ে গীত গায় আৰু নাচে )।

বৰ সুন্দৰ। মই দিল্লীৰ সম্ৰাট প্যাৰী। ঔৰংজীৱক মই খেদি দিছোঁ। হিন্দুস্থানৰ ভাগ সি পাব নোৱাৰে। হিন্দুস্থানৰ আধা ভাগ তোৰ। মোৰ কাষলৈ আহ। গুছি নাযাবি। তোক মোৰ বৰ ভাল লাগে। কি মধুৰ নাচ—কি মধুৰ ভঙ্গিমা। আহ কলিজা মোৰ কাষলৈ আহ। মই সম্ৰাট, একো ভই নকৰিবি। তোক দিল্লীৰ ৰাজমহলত বহুৱাম।

( বাইজীয়ে গীতৰ চেৰে চেৰে মুৰাদৰ কঁকালৰ পৰা তৰোৱাল সোলোকাই আনি ভিতৰত থয়গৈ। মুৰাদ একেবাৰে অজ্ঞান হৈ পৰে। গীতৰ শেষত ঔৰংজীৱৰ ইঙ্গিতত বাইজী আতৰি যায়। লগত কেইজন মান সৈন্যলৈ ঔৰংজীৱ সোমাই আহে। সৈন্য কেইজন মুৰাদৰ বান্ধিব ধৰোতে মুৰাদে উচপ খাই উঠে। লাহে লাহে মুৰাদৰ চেতনা আহে। )

মুৰাদ—( অতি আচৰিত, খং আৰু ভয়েৰে ) ভাই চাহেব। ই কি বিশ্বাস ঘাটকতা। নৰাধম, বিশ্বাসঘাটক। ( তৰোৱাল বিচাৰে )।

ঔৰং—সোনকালে বন্দী কৰ সৈনিক। ( বন্দী কৰে )

মুৰাদ—ঔৰংজীৱ ! তোক চিনিব নোৱাৰিছিলোঁ। ভৱা নাছিলো তই এইদৰে বিশ্বাস ঘাটকতা কৰিবি বুলি। মূৰ্খ, কাপুৰুষ। এনে অৱস্থাত পেলাই তই মোক বন্দী কৰিবলৈ লাজ নালাগিলনে? সন্মুখ যুদ্ধত বীৰত্বৰ পৰিচয় দিব নোৱাৰিলৈ। কুলৰ কণ্টক, মোগল ৰাজ্যৰ ধূমকেতু। ঔৰংজীৱ, তোক বিশ্বাস কৰি মহা ভুল

কৰিলোঁ। মনত ৰাখিবি ঔৰংজীৱ! সাঁপে কেতিয়াও কঁকালৰ কোব নাপাহৰে। মোৰ মৃত্যুৰ পিছত পুনৰ জন্ম লম। তোৰ ওপৰৰ প্ৰতিশোধ লম—জীয়াই জীয়াই তোৰ বুকু ফালি বুকুৰ কলিজা আজুৰি উলিয়াই আনিম—তেতিয়া বুজিবি। খোদাৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ তোৰ শেষকাল যেন অতি দুঃখ লগা হয়। বিশ্বাসঘাটক, বিশ্বাস ঘাটক ঔৰংজীৱ……।

ঔৰং—খবৰ্দ্দাৰ। ঔৰংজীৱক বিশ্বাস কৰা, হিন্দুস্থানৰ অংশ বিচৰাৰ প্ৰতিফল মুৰাদ। মৃত্যুৰ কাৰণে সাজুহগৈ। সৈনিক লৈ যা।

মুৰাদ—ঔৰংজীৱ ; বিশ্বাসঘাটক তোৰ কেচা তেজ লাগে…।

( সৈনিকে বলেৰে লৈ যায় )।

---

## দ্বিতীয় দৰ্শন

[ বঙ্গদেশত চুজাৰ প্ৰাসাদ। ভিতৰ কক্ষত মহম্মদ আৰু নুৰজানে কথা পাতি থাকে। ]

( নেপথ্যত )

মহম্মদ—নুৰজান।

নুৰজান—কোন।

( মহম্মদ সোমাই আহে )।

নুৰজান—তুমি পুৱাতে ওলাই গলা। ইমানকৈনো কত ফুৰিলা ?

মহম্মদ—অলপ মুকলি বতাহ ললোঁ। যুদ্ধ কৰি কৰি বৰ আমনি লাগিছে। এতিয়া নিজান ঠাইত থাকিবলৈহে ইচ্ছা।

নুৰজান—বাৰু হৈছে। ঠিয়হৈ আছা কিয়। ইয়াতে বহা।

মহম্মদ—তুমিও বহা নুৰজান। ( দুয়ো বহে )

নুৰজান—পিছে দিল্লীৰ বাতৰি কিবা পাইছানে কি ?

মহম্মদ—বাতৰি শুতিয়া লৈকে একো পোৱা নাই।

নুৰজান—তুমি দিল্লীলৈ যাবা কেতিয়া ?

মহম্মদ—বাৰু তুমিয়েই কোৱাছোন, কেতিয়া গলে ভাল হব। তোমাৰ ওচৰ পালেহি আন সকলো কথা পাহৰি যাওঁ। ইফালে আব্বাজানে খবৰৰ ওপৰত খবৰ দিছে।

নুৰজান—তুমি গলে কেতিয়া আহিবা ?

মহম্মদ—কবতো নোৱাৰো নুৰজান ; আকৌ কেতিয়া আহিবলৈ সময় পাওঁ। দিল্লীৰ সিংহাসনৰ কিবা এটা নিষ্পত্তি নোহোৱালৈকে আজৰি মুঠেই নাই। ঘৰ পোৱাৰ লগে লগে মোৰ ওপৰত বা কি আদেশ হয় কেনেকৈ কম।

নুৰজান—চাহাজাদা। তোমাক মই বিদায় দিব নোৱাৰোঁ। তুমি গলে মই কেনেকৈ থাকিম।

মহম্মদ—নুৰজান। হাহোঁনে—নেহাঁহোকৈ হঁহা তোমাৰ মধুৰ হাঁহিটি, চাওনে নেচাও কৈ চোৱা মনোমোহা চাৱনি, নেকওনকওকৈ কোৱা প্ৰণয়ৰ আধাফুটা কথাটি মই জানো পাহৰি থাকিব পাৰোঁ। তুমি নন্দন কাননৰ পাৰিজাত। দুয়োপাৰ উপচি পৰা তোমাৰ যৌন সৌন্দৰ্য্যই মোক যে অতি আকুল কৰি তুলিছে। তুমি শৰতৰ জোনালী ৰাতিৰ জোন, প্ৰেমিকৰ প্ৰেম, ভাবুকৰ ভাব, উপন্যাসিকৰ কল্পনা —কৱিতাৰ মধুৰ চন্দ।

নুৰজান—তুমি কেতিয়াৰ পৰা কৰি হলা চাহাজাদা ?

মহম্মদ—নুৰজান।

নুৰজান—বেয়া পালানে কি ?

মহম্মদ—তোমাক বেয়া পালে ভাল পাম কাক ?

নুৰজান—তোমাক দেখিছোঁ কথা কবই নোৱাৰি। কৰিব ভাৱত বিভোল। চাও অলপ বিছিকে দিও।

( অলপ বিছিদি কাষতে বহে )।

মহম্মদ—নুৰজান। তুমি সছাকৈ বৰ ধুনীয়া।

নুৰজান—ৰবাছেল। লাহে লাহেয়েও কোৱা। পিছে তোমাক এটা কথা সোধো। বেয়াপাবানে কি ?

মহম্মদ—সোধা।

নুৰজান—বেয়া নোপোৱাতো ?

মহম্মদ—কিয় বেয়া পাম।

নুৰজান—নহয়, বেয়া পোৱাৰ কথাই। সেই কাৰণেহে সুধিছোঁ।

মহম্মদ—তুমি মোক নিচিনিলা ?

নুৰজান—বাক কও। বেয়া নাপাবা দেই।

মহম্মদ—কোৱা।

নুৰজান—ঔৰংজীৱ হিন্দুস্থানৰ সম্রাট হব নহয় জানো ?

মহম্মদ—এতিয়া কব নোৱাৰি।

নুৰজান—ধৰা হল যেনিবা।

মহম্মদ—বাক। তেতিয়া ?

নুৰজান—তেতিয়া দাৰাক ৰাজ্যচ্যুত কৰাৰ দৰে আৱাজানকো ৰাজ্যচ্যুত কৰিবলৈ বিচাৰিব। তেতিয়া দুয়ো পক্ষৰ হব যুদ্ধ। তুমি হবা সম্রাটৰ পক্ষৰ আৰু মই হম আৱৰাজানৰ পক্ষৰ। মই হম তোমাৰ শত্রু। তেতিয়া তুমি জানো আমাৰ ইয়ালৈ আহিবা ?

মহম্মদ—নুৰজান! এনেদৰে তুমি মোক অবিশ্বাস কৰিবা বুলি ভৱা নাছিলোঁ। আগ্রাৰ তাজমহল এনে প্রেমৰ নিদর্শন নহয়। ( মহম্মদৰ চকুৰেদি চকুলো বৈ আহে )।

নুৰজান—( নুৰজানৰ দুগলেদি চকুলো বৈ যায় ) মোক ক্ষমা কৰা চাহাজাদা। মই বৰ ভুল কৰিলোঁ। কোৱা মোক ক্ষমা কৰিবানে। ( নুৰজানে কান্দি কান্দি মহম্মদৰ কোলতে মুৰ সুমুৱাই )

মহম্মদ—বেজাৰ নকৰিবা নুৰজান। মই বেয়া পোৱা নাই। নুৰজান! মোক যদি সঁচাই ভাল পোৱা তেন্তে আৰু বেজাৰ নকৰিৱা। নুৰজান! মানুহ ক্ষণস্থায়ী কিন্তু ভাল পোৱা চিৰস্থায়ী, চিৰজয়ী।

নেঃ পিয়াৰা—মহম্মদ। ( দুয়ো বহাৰ পৰা উঠি ঠিয় হয় )।

( পিয়াৰা সোমাই আহে )।

পিয়াৰা—তোমাৰ বিপদ মহম্মদ।

মহম্মদ—মোৰ বিপদ ? (নুৰজানে ভয়ে ভয়ে মহম্মদৰ কাষ চাপে) কি বিপদ ?

পিয়াৰা—ঔৰংজীৱে তোমালৈ দিয়া এখন চিঠি চুবাদাৰৰ হাতত পৰিছে।

মহম্মদ—মোলৈ দিয়া চিঠি? আব্বাজানে দিছে? তাত কি' লিখিছে?

পিয়াৰা—তাত লিখা আছে যে তেওঁ তোমাৰ চিঠি পায়েঁই তোমাৰ সহায়ৰ কাৰণে দিল্লীৰ পৰা সৈন্য পঠাইছে।

মহম্মদ—মোৰ চিঠি পাইছে?…সৈন্য পঠাইছে। আৰু?

পিয়াৰা—আৰু…। বঙ্গৰ চুবাদাৰক সোনকালে বন্দী কৰি লৈ যাবলৈ হুকুম দিছে।

মহম্মদ—চুবাদাৰক বন্দী কৰিবলৈ হুকুম দিছে? নুৰজান ওঁ বুজিছোঁ। ইমান ষড়যন্ত্ৰ…।

পিয়াৰা—ময়ো বুজিছো তাকেই। কিন্তু চুবাদাৰে তো বিশ্বাস নকৰে। তুমি এতিয়াই পলোৱা। পলম কৰিলেই তোমাক চুবাদাৰৰ সৈন্যই বন্দী কৰিব। বাহিৰত ঘোঁৰা সজাই থোৱা আছে। পলম নকৰিবা। নুৰজানে তলমূৰ কৰি কান্দে)।

মহম্মদ—পলাম। এই মাত্ৰই পলাম। যাও নুৰজান। যদি আল্লাই কৃপা কৰে তেন্তে পিছত দেখাদেখি হব।

পিয়াৰা—যোৱা মহম্মদ।

নুৰজান—চাহাজাদা।

(মহম্মদ গুছি যায়, দূৰৰ পৰা নুৰজানলৈ চোৱা দেখা যায়। নুৰজানে অতি বেজাৰ মনেৰে মহম্মদ যোৱাৰ ফালে চাই থাকে)।

## তৃতীয় দৰ্শন।

[ দিল্লীত ঔৰংজীৱৰ মন্ত্ৰণা কক্ষ। ঔৰংজীৱ আৰু মিৰজুমলা। ]

ঔৰং—শুনিছো বোলে চোলেমানে আৰু দিলীৰ খাই সসৈন্যে দাৰাৰ সহায়তা কৰিবলৈ গৈ মৰুপ্ৰান্তত পথচ্যুত হল। ই আমাৰেই সৌভাগ্য। গুজৰাটৰ শাসনকৰ্ত্তাই দাৰাক আশ্ৰয় দিছে বুলিও খবৰ পাইছোঁ। এটা বিপদৰ পিছতে আন এটা বিপদ। মই বৰ অস্থিৰ হৈ পৰিছোঁ উজীৰ। বঙ্গৰ চুবাদাৰ এতিয়াও স্বাধীন। মোৰ দিল্লীৰ সিংহাসনত যি অধিকাৰ আছে চুজাৰো সেই একেই অধিকাৰ। চুজা আৰু দাৰা......। মই নিৰাপদ নহয় উজীৰ চাহেব। ইফালে যশোৱন্ত সিংহই বিদ্ৰোহ কৰিছে। যশোৱন্ত সিংহৰ বল-বিক্ৰম মই স্বীকাৰ কৰি আহিছোঁ। তেওঁৰ লগত সমগ্ৰ ৰাজপুত জাতিয়েই যোগ দিব। ৰাজপুতৰ মিলিত শক্তিক পৰাজয় কৰা কথা অতি গুৰুত্বৰ।

মিৰ—যশোৱন্ত সিংহই বিদ্ৰোহ কৰা কাৰণ কি?

ঔৰং—দিল্লীৰ সম্ৰাটক বন্দী কৰাই ইয়াৰ কাৰণ। বাৰু। দাৰাক বন্দী কৰি দিব পাৰিলে যথোচিত পুৰস্কাৰ দিয়া হব বুলি ঘোষণা কৰা হলনে?

মিৰ—হয়। ঘোষণা প্ৰচাৰ হৈ গৈছে।

( জয়সিংহৰ প্ৰবেশ )।

জয়—জাহাপানাৰ জয় হওক।

ঔৰং—আহক জয়সিংহ।

জয়—মোক জাহাপানাই কিয় মাতিলে?

ঔৰং—এটা জৰুৰী কথা আছে। বিদ্ৰোহৰ ওপৰতে বিদ্ৰোহ। চুজা আৰু দাৰাক বন্দী কৰিব নোৱাৰিলে মই নিৰাপদ নহও। এতিয়া শুনিছো গুজৰাটৰ শাসন কৰ্ত্তাই দাৰাক আশ্ৰয় দিছে। দিল্লী আক্ৰমণ কৰিবলৈকো সহায় দিছে। লগতে মহাৰাজ যশোৱন্ত সিংহ। ৰাজপুতৰ লগত মিত্ৰতা কৰা মই বাঞ্চা কৰোঁ। মহাৰাজে নিশ্চয় জানে যে যশোৱন্ত সিংহই মোৰ লগত বিদ্ৰোহ কৰামানে নিজৰ অমঙ্গল চিন্তা কৰা। আজি সমগ্ৰ ভাৰতত এনে এটা শক্তি নাই যি শক্তিয়ে মোগলক পৰাজয় কৰিব পাৰিব।

জয়—নিশ্চয় জাহাপানা।

ঔৰং—সেই কাৰণেই মই আপোনাৰ পৰামৰ্শ বিচাৰিছোঁ। সম্ৰাট আকবৰে যেনেকৈ ৰাজপুতৰ মঙ্গল কামনা কৰিছিল ঠিক ময়ো তাকেই বিচাৰিছোঁ। অযথা শক্তি ক্ষয় কৰাৰ কোনো আৱশ্যক নাই। মহাৰাজেও নিশ্চয় তাকেই কামনা কৰিব। নিজ জন্মভূমিৰ অমঙ্গল মহাৰাজে নিবিচাৰে বুলি মোৰ বিশ্বাস।

জয়—হয় জাহাপানা।

ঔৰং—আপুনি যেনেকৈ আপোনাৰ সন্মান অক্ষুণ্ণ ৰাখি মোগল বাহিনীৰ সেনাপতিৰ বাব লৈছে সেইদৰে মহাৰাজ যশোৱন্ত সিংহকো মোৰ মোগল বাহিনীত নিযুক্ত কৰি উভয় পক্ষৰ মাজত মিলা-প্ৰীতি স্থাপন কৰিবলৈ বিচাৰিছোঁ।

জয়—অতি সুন্দৰ হব।

ঔৰং—ৰাজ্যচ্যুত দাৰাক সহায় কৰি ৰাজপুতৰ সম্মান হানি কৰাতকৈ বোধ হয় ঔৰংজীৱৰ অধীনত সেনাপতিত্ব কৰিলে মহাৰাজ যশোৱন্তৰ সন্মান অক্ষুন্ন হৈ থাকিব। কি কয় মহাৰাজ ?

জয়—নিশ্চয় জাহাপানা।

ঔৰং—আপুনি তেন্তে মহাৰাজ যশোৱন্তৰ ওচৰলৈ আজিয়েই যাওক। এই বিষয়ে এটা গুৰুত্বপূৰ্ণ পৰামৰ্শ কৰি সোন কালে ঘূৰি আহিব। যশোৱন্ত সিংহৰ সন্মতিৰ অৰ্থে যি কোনো উপায়কে অৱলম্বন কৰিব পাৰিব।

জয় –ভাল জাহাপানা। মই তেনে আজিয়েই যাত্ৰা কৰিম।

ঔৰং—যাওক মহাৰাজ। মোগলৰ এটা বাহিনীক চাহাজাদা মহম্মদৰ অধীনত আজিয়েই চুজাৰ বিৰোদ্ধে পঠাম। ইয়াৰ পিছত আপুনি নিজে যাত্ৰা কৰিব লাগিব দাৰাৰ বিৰোদ্ধে। আপুনি নুঘূৰা লৈকে মই বৰ চিন্তিত থাকিম।

জয় - জাহাপানা! আপুনি নিশ্চিন্ত হওক। মোৰ বিশ্বাস যশোৱন্ত সিংহই মোৰ অনুৰোধ নিশ্চয় ৰক্ষা কৰিব। মই আহিছোঁ জাহাপানা।

(প্ৰস্থান)।

(মহম্মদৰ প্ৰবেশ)।

মহম্মদ—মোক বোলে মাতিছিল জাহাপানা ?

ঔৰং—মাতিছিলো মহম্মদ। চুজাই হিন্দুস্থানৰ দাবী কৰিছে আৰু মোলৈ লিখিছে হীন মনোবৃত্তি পূৰ্ণ ঔৰংজীৱৰ পুত্ৰ মহম্মদে চুজাৰ কন্যা মুৰজানৰ পাণি প্ৰাৰ্থী হোৱা কেৱল

মুৰ্খামী। ( মহম্মদে তল মূৰ কৰে ) এই অপমান মই সহ্য কৰিব পাৰিম জানো মহম্মদ ? নাজানে চুজাই ঔৰংজীব কোন, নাজানে সি হিন্দুস্থানৰ সম্রাট কোন। আজি ভাৰতৰ সকলোৱেই ঔৰংজীৱৰ ওচৰত পৰাজয় মানিছে আৰু হীনবীৰ্য্য আত্মশ্লাঘী চুজাই ঔৰংজীৱৰ শক্তিৰ ওপৰত পদাঘাট কৰিছে। এই অপমান সহ্য কৰিব পাৰিনে মহম্মদ ?

মহম্মদ—প্ৰতিশোধ লবলৈ আদেশ কৰক জাহাপানা।

ঔৰং—যা মহম্মদ। তোৰ অধীনস্থ সৈন্যবাহিনীলৈ বঙ্গদেশ আক্ৰমণ কৰগৈ। তোৰ সহায়ৰ কাৰণে উজীৰ মিৰজুমলাও লগত যাব। চুজাক ভালদৰে বুজাই দিব লাগিব যে ভাৰতবৰ্ষত এনে এটা শক্তি নাই যি শক্তিয়ে ঔৰংজীৱৰ শক্তিক পৰাজয় কৰিব পাৰে। চুজা আৰু নুৰজানক বন্দী কৰি লৈ আহিবি। চুজাৰ বিচাৰ হব মোৰ ওচৰত।

( মহম্মদে কুৰ্ণিস কৰি গুচি যায় )।

( স্বগত ) চুজাৰ পতন নিশ্চয় হব। বুদ্ধিৰ বলতে ঔৰংজীৱে খোপে খোপে উঠি আহিছে ভবিষ্যতেও উঠিব। মহম্মদক এইদৰে বিশ্বাস নজন্মোৱা হেতেন চুজাক আক্ৰমণ কৰাৰ আদেশ পোৱা মাত্ৰেই বিদ্ৰোহী হৈ উঠিল হেতেন। সন্ধিৰ বাঁহ বুদ্ধিৰে কাটিব লাগিব। যাওক উজীৰ চাহেব। চুজাক বন্দী কৰি আনিব কিন্তু পৰীয়ালৰ কোনো নাৰীয়ে যেন আপোনালোকৰ হাতত অপমাণিতা নহয়। ( দুয়োৰো দুফালে প্ৰস্থান )।

## চতুৰ্থ দৰ্শন।

[ চুজাৰ প্ৰাসাদ কক্ষ। চুজা আৰু পিয়াৰা। ]

চুজা—শুনিছো পিয়াৰা। যশোৱন্ত সিংহৰ কৃতঘ্নতাৰ ফলত দাৰাই শেষ যুদ্ধতো পৰাজয় মানিছে।

পিয়াৰা—ৰাজপুতৰ কৃতঘ্নতা ?

চুজা—এৰা। হিন্দুৱেই হওক বা মুছলমানেই হওক কাকো বিশ্বাস কৰিব নোৱাৰি। গুৰ্জ্জৰ প্ৰদেশৰ আশাত যশোৱন্ত সিংহৰ এই বিশ্বাসঘাটকতা। এতিয়া শুনিছো মিৰজুমলা আৰু মহম্মদে সসৈন্যে আমাৰ বিৰোদ্ধে আহিছে।

পিয়াৰা—মহম্মদ আমাৰ বিৰোদ্ধে আহিছে ? বিশ্বাস নহয় জাহাপানা।

চুজা—বিশ্বাস নহয় ? অপেক্ষা কৰা। নিজেই সকলো দেখিবা, সকলো বুজিবা। কালসৰ্প মহম্মদে মোৰ ঘৰতে মোৰ ব্ৰহ্মতালুত দংশন কৰিবলৈ বিচাৰিছিল আৰু এতিয়া তাক তুমি দুনাই দংশন কৰিবলৈ সুবিধা দিলা।

পিয়াৰা—মোক ক্ষমা কৰক।

চুজা—যাৰ জীৱন এদিন তুমি ৰক্ষা কৰিছিলা সি আজি তাৰ বিনিময়ত আমাৰ জীৱন লবলৈ লৰি আহিছে। এয়েই কৃতজ্ঞতা। মুৰজানৰ প্ৰণয় প্ৰাৰ্থী হৈ কি যে ভীষণ চক্ৰান্ত কৰিছিল।

( অতি বেগেৰে এটা সৈন্যৰ প্ৰবেশ )।

সৈন্যিক—জাহাপানা। ঔৰংজীৱৰ সৈন্যই অতৰ্কিতে আমাৰ সৈন্য আক্ৰমণ কৰিছে।

চুজা—ঔৰংজীৱৰ সৈন্যই ? হঠাতে এই আক্ৰমণ। আমাৰ সৈন্যবোৰে কি কৰিছে সৈন্যিক ?

সৈন্যিক—যুদ্ধ কৰিছে।

( প্ৰস্থান )।

চুজা—ইযে মহাবিপদ পিয়াৰা। এনেকৈ হঠাতে অপ্ৰস্তুত অৱস্থাত ঔৰংজীৱৰ সৈন্যই আমাক আক্ৰমণ কৰিব বুলি মই ভৱা নাছিলোঁ।

পিয়াৰা—শত্ৰুয়ে বিপৰীত পক্ষৰ অৱস্থাৰ পিনে চকু নিদিয়ে জাহাপানা। শত্ৰু সদায় শত্ৰু। শত্ৰুৰ আক্ৰমণ ব্যৰ্থ কৰিবলৈ প্ৰতি মুহূৰ্ত্ততে প্ৰস্তুত থকাতোহে বীৰৰ পৰিচায়ক।

চুজা—এনে সন্ধিক্ষনত আলোচনাৰ আয়োজন নকৰে। পিয়াৰা তুমি ভিতৰলৈ যোৱা। আত্মৰক্ষাৰ কাৰণে সাজুহৈ থাকাগৈ। মই শত্ৰুৰ আক্ৰমণ ব্যৰ্থ কৰিবলৈ চেষ্টা কৰোগৈ।

( তেওঁলোক যাবলৈ ধৰোতেই লগত সৈন্যলৈ মহম্মদৰ প্ৰবেশ )।

মহম্মদ—যুদ্ধলৈ যাবৰ আৰু আৱশ্যক নকৰে।

পিয়াৰ—চাহাজাদা।

মহম্মদ—আপোনালোক মোৰ হাতত বন্দী।

পিয়াৰা—বন্দী চাহাজাদা ? চাহাজাদা, ময়ো এদিন তোমাৰ প্ৰাণ ৰক্ষা কৰিছিলোঁ।

মহম্মদ—হয়। মই নিশ্চয় অকৃতজ্ঞ নহয়। আপোনালোকক মই মুক্তি দিছোঁ। সোনকালে আপোনালোক ইয়াৰ পৰা

যাওক। কেৱল ইয়াৰ পৰাই নহয়; বঙ্গদেশৰ পৰা আপোনালোক আতৰি যাওক ঔৰংজীৱৰ ক্ৰুদ্ধদৃষ্টিত চুবাদাৰৰ ৰিক্ত কলিজা কঁপি উঠিব, কেৱল সিমানেই নহয় মৃত্যু···। দাৰা, চুজা আৰু মুৰাদৰ ৰঙা তেজৰ ভেটিত সম্ৰাট ঔৰংজীৱে প্ৰতিষ্ঠা কৰিব—দিল্লীত হিন্দুস্থানৰ মৈয়ূৰ সিংহাসন। আপুনি জীয়াই থাকিব পাৰিব চুবাদাৰ? সম্ৰাটৰ ক্ৰুদ্ধদৃষ্টিত ছাই হৈ যাব। পাৰে যদি হিন্দুস্থানৰ পৰা পলাই আত্ম ৰক্ষা কৰক। কিন্তু সতৰ্ক হব চুবাদৰ, সম্ৰাটৰ তীক্ষ্ণদৃষ্টি সমগ্ৰ ভাৰতৰ চুকে কানে বিয়পি পৰিব।

( চুজা আৰু পিয়াৰাৰ প্ৰস্থান )।

( বিপৰীত ফালৰ পৰা মিৰজুমলাৰ প্ৰবেশ )।

মহম্মদ—উজীৰ চাহেব! আপোনাৰ বীৰত্ব বুদ্ধি কৌশল সচাকৈ প্ৰসংশনীয়। অতি ভাগ্যৰ ফলতহে আব্বাজানে আপোনাৰ নিচিনা এজন সুদক্ষ্য সেনাপতি লাভ কৰিছে। হঠাৎ বঙ্গ আক্ৰমণ কৰা হৈছিল যদিও চুবাদাৰে তেওঁৰ সৈন্যবোৰ এনেকৈই প্ৰস্তুত কৰি ৰাখিছিল বুলি ভৱা নাছিলোঁ। চুজাক বন্দী কৰিব পৰা নহল যদিও তেওঁৰ পৰাজয়ে আব্বাজানৰ প্ৰাণত শক্তিৰ সঞ্চাৰ কৰিব।

মিৰ—চুজাক বন্দী কৰিব নোৱাৰাত আমাৰ যুদ্ধ জয়লাভ একোৱেই নহল চাহাজাদা। যুদ্ধত পাৰদৰ্শিতা দেখুৱাব পাৰিলেও কাৰ্য্যত তাৰ বিপৰীত হল। ইয়াৰ বাবে জাহাপানাই নিশ্চয় আমাক ধ্বংস কৰিব। মই বাহিৰত

এনেদৰে প্ৰস্তুত হৈ আছিলো যে চুজাই কোনো পথ্যে মোৰ চকুত ধূলি দি সাৰি যাব নোৱাৰিব।

মহম্মদ—এৰা! অনুশোচনা কৰিতো লাভ নাই।

মিৰ—ইয়ালৈ আহিয়েই আৰু এটা ভাল খবৰ পাইছো চাহাজাদা।

মহম্মদ—কি খবৰ?

মিৰ—মহাৰাজ যশোৱন্ত সিংহৰ বিশ্বাসঘাতকতাৰ ফলত জয়সিংহই দাৰাক পৰাজয় কৰিলে। এইবাৰ দাৰাই প্ৰাণ বচাই পাৰস্যৰ ফালে যাত্ৰা কৰিছে। এতিয়া সম্ৰাট চাজাহানৰ স্নেহ সিক্ত নয়নৰ পৰা দাৰা আহিছে ঔৰংজীৱৰ ক্ৰুদ্ধ নয়নৰ তললৈ।

মহম্মদ—খোদাৰ কি ইচ্ছা উজ্জীৰ চাহেব। সম্ৰাটৰ জেষ্ঠপুত্ৰ দাৰা আছিল এদিন ৰাজপ্ৰতিনিধি, যাৰ ইচ্ছাত মোগল সাম্ৰাজ্যৰ শাসন চলিছিল; সেই দাৰা আজি হল ৰাজ্য হাৰা, গৃহ হাৰা পথৰ ভিক্ষাৰী মৰণ পথৰ যাত্ৰী। ই খোদাৰ ইনচাফ, নিয়তিৰ পৰিহাস। আকবৰৰ আদৰ্শত দাৰাই হিন্দু মুছলমানৰ প্ৰভেদ দূৰ কৰি হিন্দুস্থানত এটা মহা শক্তিশালী জাতি সৃষ্টি কৰিব পাৰিলে হেতেন কিন্তু ৰাজ্য পিপাসু ঔৰংজীৱৰ দৃষ্টিত দাৰা হল সিংহাসনৰ অন্তৰায়।

মিৰ—চাহাজাদা! অনাবশ্যক কথা পাতি আমি ইয়াত সময় কটোৱা উচিত নহব। চুজা নিশ্চয় আৰাকানৰ ফালে পলাই গৈছে। আমি তেওঁৰ অনুসৰণ কৰিব লাগে।

পাৰিলে তেওঁক বন্দী কৰিব লাগে নতুবা তেওঁ যাতে ৰাজ্যৰ আশালৈ হিন্দুস্থানলৈ ঘূৰিব নোৱাৰে তাৰ ব্যৱস্থা কৰিব লাগে। আমি এতিয়া আৰাকানৰ ফালে যাত্ৰা কৰা ভাল হব। যি কোনো এটা ব্যৱস্থা কৰি সোনকালে আগ্ৰালৈ ঘূৰিব লাগে।

মহম্মদ—আগ্ৰালৈ ঘূৰা আমাৰ পলম হলেও, চুজাৰ সম্বন্ধে কিবা এটা শেষ কৰি যাব লাগিব যাতে আব্বাজানে পুনৰ এই বিষয়ে ভাৱিব লগা নহয়। উজীৰ চাহেব! যশোৱন্ত সিংহই ইমান সহজে সম্ৰাটৰ পক্ষ লব বুলি মই ভৱা নাছিলোঁ।

মিৰ—সম্ৰাটৰ পক্ষ নলৈ আৰু কি কৰিব চাহাজাদা। ভাৰতবৰ্ষৰ সকলো শক্তিয়েই সম্ৰাটৰ অধীনতা স্বীকাৰ কৰিবলৈ নিজেই আগবাঢ়ি আহিব। সম্ৰাট ঔৰংজীৱৰ বৈশিষ্টতা এই খিনিতেই চাহাজাদা।

মহম্মদ—হয়। ( দুয়ো গুছিযায় )।

## পঞ্চম দৰ্শন।

[ দিল্লীত ঔৰংজীৱৰ মন্ত্ৰণা কক্ষ। ঔৰংজীৱ, মিৰজুমলা, জয়সিংহ আৰু দিলীৰ খাঁ। ]

ঔৰংজীৱ—খাঁ চাহেব! আপোনাৰ কথা মই সকলো বুজিলোঁ। আপোনাৰ নিচিনা এজন বিশ্বাসী লোক পোৱাতো মোৰো সৌভাগ্য।

দিলীৰ—জাহাপানাৰ নিচিনা এজন তীক্ষ্ণ বুদ্ধিয়ক আৰু কৰ্ম্মপটুতা লোকৰ আনুগত্য স্বীকাৰ কৰিবলৈ পায় মই গৌৰৱ অনুভৱ কৰিছোঁ। মোৰ দেহত এটোপা তেজ থকালৈকে জাহাপানাৰ কাৰণে প্ৰাণ দিবলৈ অলপো কুণ্ঠিত নহম।

ঔৰং—শুনি বৰ সন্তোষ পালোঁ। বিদ্ৰোহৰ অগ্নি যদিও অন্ত হোৱা নাই তথাপি ৰাজ্যত অৰাজক হবলৈ দিব নোৱাৰি। আপোনাক যোগ্য জন বুলিয়েই বঙ্গৰ চুবাদাৰ কামত নিযুক্ত কৰিলোঁ।

দিলীৰ—বন্দীৰ প্ৰতি জাহাপানাৰ পৰম কৃপা।

ঔৰং—মহাৰাজ জয়সিংহ। আপোনাৰ কামত মই সন্তোষ পাইছো। আপুনি মোৰ কাৰণে যি দুঃখ কৰিলে তাৰ বাবে ধন্যবাদ। বৰ্ত্তমান যশোৱন্ত সিংহক গুৰ্জ্জৰ প্ৰদেশৰ শাসনকৰ্ত্তা নিযুক্ত কৰিলে বেয়া হবনে?

জয়—মহাৰাজৰ বিচাৰ উচিত হব।

ঔৰং—তেন্তে যাওক। সোনকালে যশোৱন্ত সিংহক পঠাই দিয়ক গৈ।

জয়—যি আদেশ। (প্ৰস্থান)।

ঔৰং—আপুনি আজিয়েই যোৱাৰ আয়োজন কৰক খাঁ চাহেব।

দিলীৰ—জাহাপানাৰ আদেশ মানি লৈছোঁ।

(প্ৰস্থান)।

ঔৰং—চোলেমানক বন্দী কৰা হৈছে তো উজীৰ চাহেব?

মিৰ—হৈছে জাহাপানা। সম্প্ৰতি তাক গোৱালিয়ৰ দুৰ্গত ৰখা হৈছে।

ঔৰং—ভাল হৈছে। কিন্তু মই এতিয়াও নিচিন্তে থাকিব পৰা নাই। দাৰাক যি ধৰি দিব তাক যথেষ্ট পুৰস্কাৰ দিয়া হব বুলি ঘোষণা কৰা হৈছে নে ?

মিৰ—ইতিমধ্যে সেই ঘোষণা কৰা হৈছে।

ঔৰং—বেছ। কিন্তু চুজাক ধৰিব নোৱাৰাতো এটা ডাঙৰ সমস্যা।

মিৰ—চুজাৰ কাৰণে জাহাপানাই ভই কৰিব লগা একো কাৰণ নাই। চুজাই যাতে আৰাকান পৰ্ব্বতৰ পৰা নামিব নোৱাৰে তাৰ ভাল ব্যৱস্থা কৰা হৈছে।

ঔৰং—চুজাই আপোনালোকৰ হাতত পলাই সাৰিব বুলি মই ভৱাই নাছিলোঁ।

মিৰ—ময়ো ভৱা নাছিলোঁ।

ঔৰং—তেন্তে কিয় এনে হল ?

মিৰ—জাহাপানাই অভয় দিলেহে কব পাৰিম।

ঔৰং—কোনো ভই নাই। কওক উজীৰ। ঔৰংজীৱৰ বিষদৃষ্টিত কোনো ষড়যন্ত্ৰ থাকিব নোৱাৰে। মই তাৰ গুৰি উভালিম উজীৰ চাহেব।

মিৰ—চাহাজাদা মহম্মদ জাহাপানাৰ চিৰবিশ্বাসী নহয় বুলি মই ভাৱো।

ঔৰং—কিয় ?

মিৰ—বঙ্গ আক্ৰমণত মই এনে ব্যৱস্থা লৈছিলোঁ যাতে চুজাই আমাৰ চকুত ধূলি দি কোনো ৰকম পলাই যাব নোৱাৰে। কিন্তু চুজাক পলাই যাবলৈ চাহাজাদাই সুবিধা দিলে বুলিহে মই ভাৱো।

ঔৰং—বেছ। আৰু কিবা জানেনে ?

মিৰ—আৰাকানত চুজাক বিচাৰি যাওতেয়ো চাহাজাদাই বাৰে বাৰে প্ৰশংসা কৰিছিল।

ঔৰং—বাৰু। কিছুদিনৰ কাৰণে মহম্মদকো বন্দীশালত ৰাখিব লাগিব।

মিৰ—তেতিয়া অৱশ্যে জাহাপানাৰেই মঙ্গল।

( মহম্মদৰ প্ৰবেশ

ঔৰং—মহম্মদ।

মহম্মদ—জাহাপানা।

ঔৰং—চুজাক বন্দী কৰা নহল কিয় ?

মহম্মদ—চেষ্টাৰ ক্ৰুটী কৰা নাছিলো জাহাপানা।

ঔৰং—চেষ্টাৰ ক্ৰুটী কৰা নাই ? চুজা নিৰ্বিঘ্নে পলাই গৈছে আৰু কৈছ চেষ্টাৰ ক্ৰুটী কৰা নাই। অযোগ্য।

মহম্মদ—মই ৰাজ্যৰ কাৰণে লালায়িত নহয়।

ঔৰং—ৰাজ্যৰ স্পৃহা নোহোৱা হেতুকেই মোৰ আদেশ পালন কৰা নহল মহম্মদ ? মই ঔৰংজীৱ, কাক কেনে শাস্তি বিধান কৰিব লাগে মই জানো। উজীৰ চাহেব, অভিমানীক বন্দী কৰি ৰাখক।

মহম্মদ—বন্দী কৰক। মই সাজু। কিন্তু এটা কথা মনত ৰাখিব জাহাপানা ; আপোনাৰ অত্যাচাৰতে মোগল সাম্ৰাজ্য অধঃপতন হব।

( মিৰজুমলাই মহম্মদক বন্দী কৰে )

ঔৰং—মহম্মদ। দিল্লীৰ ৰাজসিংহাসনত মোৰ যি অধিকাৰ

তোৰো ভৱিষ্যতে তেনে অধিকাৰ। এই বিদ্রোহ কৰাৰ কোনো কাৰণ নাছিল।

মহম্মদ—অস্ত্ৰৰে জয় কৰা ৰাজ্যতকৈ প্ৰেমেৰে জয় কৰা ৰাজ্য অতি দৃঢ়।

ঔৰং—মই জানো ৰাজ্য কেনেকৈ জয় কৰিব লাগে, দোষীক কোন শাস্তি দিব লাগে।

মহম্মদ—মই বন্দী। সত্য কথা কোৱাৰ বাবে মই ৰাজদ্রোহী। কোৰাণৰ পাত মেলিলে পাব তাত আল্লাৰ কি বাণী আছে। মই ৰাজদ্রোহী। মোৰ বিচাৰ শেষ কৰক।

ঔৰং—বিচাৰ! তোৰ বিচাৰ এতিয়া নহয় মহম্মদ। উজীৰ চাহেব। বন্দীক লৈ যাওক। গোৱালিয়ৰ দুৰ্গত আতক কৰি ৰাখক গৈ।

( মিৰজুমলাই মহম্মদক লৈ যায় )।

ঔৰং—( ভাৱি ) দাৰা পলাল, চুজাই আৰাকান পৰ্ব্বতত উঠি দিল্লীলৈ চায় আত্মহাস্য কৰিছে। মইতো এতিয়াও নিচিন্ত নহয় দিল্লীৰ চৌপাশৰ শত্ৰুৰ আত্মহাস্যই মোৰ আকাঙ্খিত মৈয়ুৰ সিংহাসনক কঁপাই তুলিছে—শত্ৰুৰ বিষ নিশ্বাসৰ প্ৰৱাহে দিল্লীৰ ৰাজ অট্টালিকা সঘনে খুন্দিয়াইছে। হুছিয়াৰ—হুছিয়াৰ ঔৰংজীৱ।

( প্ৰস্থান )।

---

# তৃতীয় অঙ্ক।

## প্ৰথম দৰ্শন।

[ মৰু প্ৰান্তৰ। দাৰা, চিপৰ আৰু নাদিৰা। ]

দাৰা—ভাগ্যৰ বিড়ম্বনা নাদিৰা। যাৰে আশ্ৰয় লোৱা হয় সেয়ে বিশ্বাসঘাটকতা কৰে। যশোৱন্ত সিংহই এনেদৰে প্ৰৱঞ্চনা কৰিব বুলি মই ভৱা নাছিলোঁ। মোৰ মৃত্যুয়েই শতগুণে ভাল আছিল নাদিৰা।

নাদিৰা—দুঃখ নকৰিব প্ৰিয়তম। আমাৰ ওপৰত আল্লাৰ যি আদেশ তাক পালন কৰিবই লাগিব।

দাৰা—এই হতভাগ্য জীৱনত কোনো মূল্য নাই। এদিন আছিলো সম্ৰাটৰ ৰাজপ্ৰতিনিধি, হিন্দুস্থানৰ ভাৱী সম্ৰাট আৰু আজি হলো পথৰ ভিক্ষাৰী। এদিন মোৰ ইচ্ছাতে চলিছিল হিন্দুস্থানৰ শাসন কিন্তু আজি নিয়তিৰ কালচক্ৰত পৰি সকলো বিপৰীত হল। মৰুভূমিৰ তপ্ত বালিৰ মাজত হাহাকাৰ কৰি মৰিবলৈ আহিছো নাদিৰা। নাদিৰা! মোৰ কাৰণেই তোমাৰো আজি এই অৱস্থা। শত দাসীৰ পৰিবেষ্টিত তুমি বাস কৰিছিলা দিল্লীৰ ৰাজ অন্তেসপুৰত, দুঃখ কি নাজানিছিলা। কিন্তু হায়! আজি উত্তপ্ত মৰুভূমিৰ মাজেদি অনাহাৰে লৰি আহিছা প্ৰাণ বছাবলৈ। এই চিপৰৰ অৱস্থা মই চাব নোৱাৰা হৈছো।

নাদিৰা—প্ৰিয়তম ! আমাৰ প্ৰতি খোজতে বিপদ। এতিয়াও আমি নিৰাপদ হোৱা নাই। হিন্দুস্থানৰ সীমা অতিক্ৰম নোহোৱালৈকে আমাৰ বিপদ আছে।

দাৰা—বিপদ আছে সচা নাদিৰা। এইদৰে কিমান খোজ কাঢ়িবা। মই ভাৱিছিলো তোমাক আগ্ৰাত থৈ অহাৰ কথা। মোৰ লগত কিমান যে আৰু দুঃখ ভোগ কৰিব লাগিব।

নাদিৰা—আপুনি তেনে কথা দ্বিৰুক্তি নকৰিব। আপোনাক বিপদৰ মাজত এৰিদি মই জানো শান্তিৰে থাকিব পাৰোঁ। মোৰ কাৰণে চিন্তা নকৰিব। মোৰ অলপো কষ্ট হোৱা নাই।

দাৰা—কষ্ট হেৱা নাই বুলিলে কোনে স্বীকাৰ কৰিব নাদিৰা। তোমাৰ গোটেই দেহাত কষ্টকে ফুটি উঠিছে নাদিৰা। তুমি নথকা হলে ইমান দিন মই বাচি নাকিলো হেতেন। আগেয়ে নাজানিছিলো নাদিৰা, মানুহৰ অন্তৰত লুকাই থকা বাসনাৰ আকুলতাৰ কথা। গোটেই সংসাৰকে অতি সহজ সৰল বুলিয়েই ভাৱিছিলোঁ। নাদিৰা ! আমাৰ যে বিপদৰ অন্ত ন পৰে। ৰাতিৰ পিছত দিন আহে, আন্ধাৰৰ পিছত পোহৰ আহে কিন্তু আমাৰ জীৱনৰ অন্ধকাৰ আৰু দূৰ নহয়। পোহৰ আৰু নিফিৰে নাদিৰা। হেমন্তৰ হিমে ঢাকি ধৰা ঘাঁহনি পথাৰৰ দৰে আমাৰ জীৱনো ঢাকি ধৰিলে মৃত্যুৰে কলা আন্ধাৰেৰে। আন্ধাৰৰ মাজত জানো বাট পাবা নাদিৰা। আমি যে মৃত্যুৰ উপকণ্ঠত ভৰি দিছোহি।

নাদিৰা—আপুনি মিছাতে চিন্তা কৰিছে কিয়। চোলেমানৰ বতৰা কিবা পাইছেনে ?

দাৰা—চোলেমানৰ বতৰা ? কোনে দিব নাদিৰা।

নাদিৰা—তাকোয়ে দেখিবলৈ নাপালোঁ।

দাৰা—দেখিবলৈ আৰু কত পাবা। সি নিশ্চয় শত্ৰুৰ হাতত পৰিল নাদিৰা। নহলে চোলেমানে আমাক বিচাৰি পালে হেতেন। সকলো গৈছে নাদিৰা। আব্বাজানে নিশ্চয় কান্দিছে। বেমাৰী দেহাৰে কান্দি কান্দি অৱস্থা নোহোৱা হৈছে। আব্বাজান মৰিব, ময়ো মৰিম। কিন্তু আব্বাজানৰ শেষ অনুৰোধ ৰক্ষা কৰিব নোৱাৰিলোঁ। তাজমহলৰ কাষত আব্বাজানক কবৰ দিয়া হলে মৃত্যুৰ পিছতো শান্তি লভিলে হেতেন।

চিপৰ—আম্মাজান ! বৰ পিয়াহ লাগিছে। পানী খাবলৈ নাপালে মই মৰিম।

নাদিৰা—চিপৰ ! সোন ! অলপ ধৈৰ্য্য ধৰ। এই মৰুভূমিত পানী কত পাম সোন।

চিপৰ—মই যে মৰিম আম্মাজান।

নাদিৰা—আৰু অলপ দূৰ গলেই আমি পানী পাম বাছা। মৰুভূমি পাৰ হলেই আমি গাওঁ বা নগৰ নিশ্চয় পাম। পিয়াহ মোৰো লাগিছে চিপৰ।

চিপৰ—আম্মাজান ! মই আৰু এখোজো যাব নোৱাৰোঁ। মোৰ গোটেই গাত দেখোন পোৰনি উঠিছে। মোৰ কিবা হৈছে আম্মাজান। ( বহি পৰে )

দাৰা—আহ বাছা। মোৰ কোলাত উঠ।

চিপৰ—পানী খাবলৈ নাপালে মই মৰিম।

( চিপৰ মাটিত পৰি যায়, দাৰাই মাটিৰ পৰা কোলাত লয়। তেওঁলোক ক্ষন্তেকৰ বাবে মৰুভূমিৰ বালিৰ ওপৰতে বহি পৰে )।

দাৰা—চিপৰ, চিপৰ!

চিপৰ—( ক্ষীণ মাতেৰে ) আব্বাজান।

দাৰা—আৰু কিছুদূৰ গলেই আমি পানী পাম নহয়। পানী খালেই তোৰ গাটো বৰ ভাল লাগিব। সোঁৱা চছোন, আমি মৰুভূমি পাৰ হম এতিয়া। দূৰৰ সোঁৱা গছগছনি ৰিনিকি ৰিনিকি দেখা হৈছে। তাতে আমি পানী পাম।

চিপৰ—( ক্ষীণ মাতেৰে ) মই মৰিম এতিয়া আব্বাজান।

নাদিৰা—মোৰো বৰ পিয়াহ লাগিছে প্ৰিয়ত্বম।

দাৰা—পানী কত পাম নাদিৰা! হাঁয় হতভাগ্য……।

( জিহন খাঁৰ প্ৰবেশ )

জিহন—এই মৰুভূমিৰ মাজত তোমালোক কোন?

দাৰা—আতি হতভগীয়া ভাই, মৰুভূমিৰ উত্তপ্ত বালিৰ মাজত আমি মৰণ ৰিচাৰি আহিছোঁ। এটোপা পানী দি আমাৰ প্ৰাণ বছাব পাৰিবা ভাই? খোদাই তোমাক কৃপা কৰিব। আগতে পাৰিলে প্ৰাণ বছোৱা তাৰ পিছত আমাৰ পৰিচয় লবা।

( জিহন খাঁই লগত অনা পানীৰ চুঙাটো দাৰাৰ হাতত দিয়ে দাৰাই আগ্ৰহেৰে চুঙাটো লৈ চিপৰৰ মুখত পানী দিয়ে। নাদীৰাইও পানী খায় )।

দাৰা—খোদাই তোমাক মঙ্গল কৰক। আমাৰ প্ৰাণৰক্ষা কৰিলা ভাই।

চিপৰ—আব্বাজান! পানী কত পালে? মই যে মৰাৰ পৰা জীলোঁ।

দাৰা—এৱেঁই আমাক পানী দি ৰক্ষা কৰিলে চিপৰ।

জিহন—এতিয়া আপোনাৰ পৰিচয় পাব পাৰোনে?

দাৰা—মোৰ পৰিচয় লৈ তোমাৰ একো লাভ নাই! আমি মৰণ পথৰ যাত্ৰী ভাই।

জিহন—চাহাজাদা!

দাৰা—( আচৰিতহৈ ) তুমি মোক চিনি পাইছা?

জিহন—চিনি পাইছো চাহাজাদা। মোক বোধ হয় আপুনি পাহৰিছে। মই জমিদাৰ জিহন খাঁ। এবাৰ সম্ৰাটৰ হাতৰ পৰা মোক আপুনি প্ৰাণ ৰক্ষা কৰিছিল। আজি সামান্য ভাৱে আপোনাক সহায় কৰিবলৈ পাই আনন্দ পাইছোঁ।

দাৰা—জিহন খাঁ!

জিহন—চাহাজাদা!

দাৰা—মোৰ সকলো গল। এতিয়া মই বাটৰ ভিখহু।

জিহন—সকলো শুনিছোঁ। পিছে এতিয়া কোন ফালে যোৱা স্থিৰ কৰিছে?

দাৰা—কব নোৱাৰোঁ জিহন খাঁ, থাকিবলৈ কত আশ্ৰয় পাওঁ।

জিহন—আহক চাহাজাদা। মোৰ ঘৰত আপুনি নিৰাপদে থাকিব পাৰিব।

দাৰা—ঔৰংজীৱৰ হাতৰ পৰা তুমি মোক ৰক্ষা কৰিব নোৱাৰা জিহন খাঁ।

জিহন—নহয় চাহাজাদা, আপুনি অন্ততঃ কেই দিন মান মোৰ ঘৰতে থাকি যি কোনো এটা স্থিৰ কৰিব পাৰিব।

দাৰা—তোমাৰ ঘৰলৈ কিমান দূৰ হব ?

জিহন—এই মৰুভূমি পাৰ হোৱাৰ পিছতে মোৰ ঘৰ পাম।

চিপৰ—না লাগে আব্বাজান। আমি ইয়াত নাথাকোঁ, কোনেও নেদেখা ঠাইলৈ যাওঁগৈ।

নাদিৰা—প্ৰিয়তম !

জিহন—আপুনি অবিশ্বাস নকৰিব চাহাজাদা।

দাৰা—বলা জিহন খাঁ! তোমাৰ ঘৰতে এদিন মান আশ্ৰয় লওঁগৈ।

( সকলোৰে প্ৰস্থান )।

## দ্বিতীয় দৰ্শন ।

[ জিহন খাঁৰ ঘৰ। ৰোগ শয্যাত নাদিৰা,
কাষত দাৰা আৰু চিপৰ ]।

দাৰা—পানী খাবা নাদিৰা ?

নাদিৰা—এটোপা পানী দিয়ক প্ৰিয়তম ! (দাৰাই পানী খুৱাই)।

চিপৰ—আম্মাজান !

নাদিৰা—আহ বাছা। মোৰ ওচৰলৈ চাপি আহ। তইঁতক আৰু দেখিবলৈ নাপাম।

চিপৰ—আম্মাজান !

দাৰা—নাদিৰা !

নাদিৰা—বেজাৰ নকৰিব। ঘোৰ বিপদৰ মাজত আপোনাক, স্নেহৰ চিপৰক এৰি যাব লগা হল। মোৰ আত্মা সদাই আপোনাৰ বুকুৰ মাজত থাকিব।

দাৰা—নকৰা নাদিৰা, সেই কথা আৰু নকৰা। তুমি আৰোগ্য হব লাগিব।

নাদিৰা—ঈশ্বৰৰ ইচ্ছা তেনে নহয়। মোৰ মৃত্যুৰ পাছত আপুনি সোনকালে এই ঠাই এৰিব। ইয়াত আপুনি নিৰাপদ নহয়। জিহন খাঁ যোৱা আজি তিনি দিন হ'ল। এতিয়াও ঘূৰা নাই। মোৰ সন্দেহ হৈছে প্ৰিয়তম ! কি জানি জিহন খাঁই স্বাৰ্থৰ বাবে আপোনাক ঔৰংজীৱৰ হাতত সোধাই দিয়ে।

চিপৰ—সছা আব্বাজান।

নাদিৰা—জিহন খাঁৰ চলন-ফুৰণ, কথা বাৰ্ত্তাই মোক সন্দেহ কৰি তুলিলে। মানুহঁক বিশ্বাস কৰা টান; আপুনি খুব সাৱধান হ'ব।

দাৰা—জিহন খাঁই তেনে নকৰে নাদিৰা। সকলো অবিশ্বাসী নহয়। তুমি আৰোগ্য হলেই সোনকালে আমি পাৰস্যলৈ যাত্ৰা কৰিম।

নাদিৰা—মোৰ আৰোগ্য খোদাৰ হাতত। উস্ বৰ শাস্তি ! খোদা ! এটোপা পানী দে চিপৰ ( চিপৰে পানী খুৱাই ) চোলেমানৰ খবৰ নাপালোঁ। আপোনাৰ ভাগ্য ভাললৈ আহিলে আগতে চোলেমানক বিচাৰ কৰিব। মোৰ

মাত বন্ধ হৈ যাবলৈ ধৰিছে প্ৰিয়তম। মৰণ ওচৰ চাপিছে।

দাৰা—সেই কথা কৈ মোৰ বুকু ভাঙ্গিবলৈ নিদিবা নাদিৰা।

নাদিৰা—উস্ ···! প্ৰিয়তম, ওচৰলৈ আহক; চি-প-ৰ। খো-দা। ( মৃত্যু )

চিপৰ—আম্মাজান! আম্মাজান! ( মাকক গবা মাৰি ধৰে )।

দাৰা—নাদিৰা—নাদিৰা। উস্! সকলো শেষ।

( নাদিৰাৰ মৃতদেহত সাবতি ধৰে, বহু সময়ৰ পিছত মূৰ ডাঙি চায় )।

দাৰা—শেষ! সকলো শেষ হৈ গল। নাদিৰাৰ প্ৰাণে মুক্ত আকাশলৈ উৰা মাৰিলে।

( লগত কেইজন মান সৈন্যলৈ জিহন খাঁৰ প্ৰবেশ )

দাৰা—আহিলা জিহন খাঁ। নাদিৰাই তোমাৰ ঘৰতে মহানিদ্ৰাত শয়ন কৰিলে। তোমাৰ অনুগ্ৰহ জিহন খাঁ; আন নহলেও কান্দিবলৈ এখন ঘৰ পাইছোঁ। জিহন খাঁ! পুত্ৰ হেৰুৱালোঁ, পিতা হেৰুৱালোঁ, ৰাজ্য-ধন সকলো হেৰুৱালোঁ। অৱশেষত আজি নাদিৰাকো হেৰুৱালোঁ। সকলো গল—চকুৰ আগত বিৰাট শূন্যতা, জীৱনৰ প্ৰতি খোজত ব্যৰ্থতাৰ পৰিহাস ভাই। এওঁলোক কোন জিহন খাঁ?

জিহন—দিল্লীৰ পৰা আহিছে?

দাৰা—দিল্লীৰ পৰা আহিছে?

জিহন—হয়।

দাৰা—কিয় আহিছে জিহন খাঁ ?

জিহন—চাহাজাদাক বন্দী কৰিবলৈ।

দাৰা—মোক বন্দী কৰিবলৈ ? ভালেই কৰিলা ভাই। জীয়াই থকাৰ মোহত জীৱনৰ লগত কিমান সংগ্ৰাম কৰিম। জিহন খাঁ ! তোমাক বিশ্বাস কৰিছিলোঁ। তুমি যে এই দৰে মোক বিপদত পেলাবা মই ভৱা নাছিলোঁ।

জিহন—এৰা ! কি কৰিব চাহাজাদা।

দাৰা—মোক বন্দী কৰাত তোমাৰ কি লাভ হব জিহন খাঁ ?

জিহন—চাহাজাদাক সেইবোৰ কথাৰ আৱশ্যক নকৰে। সম্ৰাট ঔৰংজীৱৰ আদেশ আপুনি বন্দী।

দাৰা—স্বীকাৰ কৰিছোঁ ভাই। জিহন খাঁ ! মোৰ সকলো গৈছে তাৰ কাৰণে বেজাৰ নাই। কিন্তু মোক এটা কাম কৰিবলৈ সুবিধা দিবানে জিহন খাঁ ?

জিহন—মই কোনো সুবিধা দিব নোৱাৰোঁ। ঔৰংজীৱৰ হুকুম অমান্য কৰিবৰ মোৰ শক্তি নাই।

দাৰা—মই মুক্তি বিচৰা নাই। মোৰ নাদিৰাৰ অলপ আগতে মৃত্যু হৈছে। নাদিৰাক কবৰ দিবলৈ মোক সুবিধা দিয়া জিহন খাঁ।

জিহন—মই সম্পূৰ্ণ অক্ষম। আপোনাৰ নাদিৰাৰ মৃতদেহা মই সন্মানেৰে ৰাজধানীলৈ পঠাই দিম। আপুনি চিন্তা কৰিব নালাগে।

দাৰা—নাদিৰা, নাদিৰা ! মৃত্যুৰ আগতে তুমি যি কৈছিলা সকলো ফলিয়ালে। নাদিৰা, তুমি নাই। আস্মানৰ পৰা চোৱা, মই ঔৰংজীৱৰ বন্দী। মোৰ শাস্তি মৃত্যু।

চিপৰ—আব্বাজান।

দাৰা—চিপৰ আমি বন্দী। এতিয়াই আমি দিল্লীলৈ যাব লাগিব। জিহন খাঁ ! তুমি আশ্ৰয় দি এই দৰে শত্ৰুৰ হাতত সপি দিবা বুলি ভৱা নাছিলোঁ। মানুহ ইমান বিশ্বাসঘাটক হব নাপাই জিহন খাঁ।

জিহন—চাহাজাদা। আপোনাৰ লগত কথা হবলৈ আমাৰ সময় নাই। আপোনাক লৈ আজিয়েই আমি দিল্লী পাবগৈ লাগিব। সৈনীক ! বন্দী কৰ।

( সৈনীকে দাৰা আৰু চিপৰক বন্দী কৰে। ৰঙ্গমঞ্চত বিষাদৰ সুৰ বাজি উঠে )।

---

## তৃতীয় দৰ্শন।

[ দিল্লীত ঔৰংজীৱৰ মন্ত্ৰনা কক্ষ ]

ঔৰং—জিহন খাঁ, জিহন খাঁ।　　[ জিহন খাঁৰ প্ৰবেশ।

জিহন—জাহাপানা।

ঔৰং—তোমাক ভাল পুৰস্কাৰ দিম। তুমি পাৰিবা ?

জিহন—পাৰিম জাহাপানা।

ঔৰং—দাৰা আৰু মুৰাদক হত্যা কৰিব পাৰিবা ?

জিহন—হত্যা কৰিব লাগিব ?

ঔৰং—ওঁ ! সিহঁতৰ হত্যাৰেই অতি প্ৰয়োজন হৈছে।

জিহন—জাহাপানা।

ঔৰং—কোনো ভয় নাই। মোৰ আদেশ। যোৱা মিৰজুমলাক মাতি আনা।

( জিহন খাঁৰ প্ৰস্থান )

ঔৰং—দাৰা আৰু মুৰাদৰ হত্যা ! হত্যা কৰিব লাগিব নহলে উপায় নাই। দাৰা আৰু মুৰাদৰ কেচা তেজেৰে ময়ূৰ সিংহাসনত ৰঙা কৰিব লাগিব। তাৰ পিছত ৰঙা তেজে চেকুৰা বান্ধি থকা দাৰাৰ কটামূৰ উপহাৰ দিম বৃদ্ধ সম্ৰাট চাজাহানক। নাই, নহয়......। পাৰিব লাগিব, ঔৰংজীৱৰ ডাঠ বুকু ভ্ৰাতৃস্নেহত কঁপি নুঠে।

( জিহন খাঁ আৰু মিৰজুমলাৰ প্ৰবেশ )

ঔৰং—উজীৰ চাহেব ! কাজীৰ বিচাৰ, মোৰ বিচাৰ নহয় ; দাৰা আৰু মুৰাদৰ মৃত্যু দণ্ড।

মিৰ—মৃত্যু দণ্ড ?

ঔৰং—আচৰিত হৈছে উজীৰ ?

মিৰ—আচৰিত হোৱা নাই। কিন্তু জাহাপানাৰ এখন পত্ৰ আছে।

ঔৰং—পত্ৰ ?

মিৰ—হয়। দাৰাই লিখিছে।

ঔৰং—দাৰাই লিখিছে মোলৈ ? বোধহয় প্ৰাণ ভিক্ষা কৰিছে ?

মিৰ—জাহাপানাই ঠিক ধৰিছে।

ঔৰং—বাকু পত্ৰখন পাঠ কৰকছোন।

মিৰ—পাঠ কৰাৰ অনাৱশ্যক নকৰে। চিঠিৰ কাম আগতে হৈছে। তথাপি ইয়াৰ সংক্ষিপ্ত হল, দাৰাই থাকিবৰ কাৰণে অকনমান ঠাই বিচাৰিছে মাত্ৰ। চিৰকাল খোদাৰ ওচৰত তেওঁ জাহাপানাৰ মঙ্গলৰ কাৰণে বোলে প্ৰাৰ্থনা জনাব। ইমানেই। ( চিঠিখন ঔৰংজীৱক দিয়ে )।

ঔৰং—( চিঠি লৈ ) হাঃ হাঃ হাঃ, প্ৰাণভিক্ষা। (চিঠি ফালি দিয়ে) অসম্ভৱ। মৃত্যুৰ বাহিৰে দাৰাৰ হিন্দুস্থানত থাকিবৰ অধিকাৰ নাই। মোৰ বিচাৰ নহয় উজীৰ। কাজীৰ বিচাৰত হস্তক্ষেপ কৰা মোৰ অধিকাৰ নাই। জিহন খাঁ —জিহন খাঁ!

জিহন—জাহাপানা।

ঔৰং—দাৰাক হত্যা কৰিব পাৰিবা?

জিহন—হত্যা ·· ।

ঔৰং—হত্যা কৰিব লাগিব। আজিয়েই। কোৱা পাৰিবা?

জিহন—( ভয়ে ভয়ে ) পাৰিম।

ঔৰং—তুমি ভাল পুৰস্কাৰ পাবা। আগতে মুৰাদক হত্যা কৰিবা, তাৰ পিছত দাৰাক। দাৰাৰ পুত্ৰ চিপৰক তাৰ কাষৰ পৰা লৈ আনিবা। তোমাৰ চোকা তৰোৱাল তাৰ বুকুত সুমুৱাই হৃদ-যন্ত্ৰ খণ্ড খণ্ড কৰি কৰা ঔৰংজীৱৰ শত্ৰুতা আচৰণ কৰাৰ এয়ে প্ৰতিকাৰ। দাৰাৰ কটা মুৰ তৎক্ষণাত মোৰ ওচৰলৈ লৈ আনিবা। যোৱা কাম হাচিল কৰিব নোৱৰিলে কিহব বুজিছাতো? মই নিষ্ঠুৰ

ঔৰংজীৱ জিহন খাঁ। মোৰ অন্তৰত দয়া নাই, স্নেহ নাই, আছে বাসনাৰ আকুলতা। যোৱা পলম নকৰিবা।

( জিহন খাঁৰ প্ৰস্থান )।

ঔৰং—দাৰা মোৰ জ্যেষ্ঠ ভাই উজীৰ চাহেব। দাৰাৰ মৃত্যু সহ্য নহয়। দাৰাৰ হত্যাৰ আদেশ মুৰাদৰ হত্যাৰ আদেশ মই নিজে দিছোঁ। মই মানুহ নহয় উজীৰ চাহেব। জিহন খাঁ, জিহন খাঁ ··· !

মিৰ—আপুনি অধৈৰ্য্য হৈছে কিয় জাহাপানা ?

ঔৰং—অধৈৰ্য্য হৈছোঁ ? মই অধৈৰ্য্য হৈছো মিৰজুমলা। ঔৰংজীৱ নিৰ্ম্মম, ঔৰংজীৱ বিশ্বাসঘাতক কিন্তু দাৰা, সিতো বিশ্বাস-ঘাটক নহয়, সিতো নিৰ্ম্মম নহয়, যাওক উজীৰ।

মিৰ—আপুনি অলপ সুস্থিৰ হওক। ( দুয়োৰে প্ৰস্থান )।

( দূৰৰ পৰা দেখা যায় কটোৱাল আৰু জিহন খাঁই মুৰাদক ধৰি বধ্যভূমিলৈ লৈ যায়। মুৰাদৰ অৱস্থা অতি ক্ষীণ। মুৰাদে মুখেৰে একো নামাতে, চকুত চকুলো। মাত্ৰ কটোৱালৰ অনুসৰণ কৰি গৈ থাকে )।

( ঔৰংজীৱৰ পুনৰ প্ৰবেশ )।

ঔৰং—মই বৰ ভুল কৰিছোনে কি। ইমান সময়ে মুৰাদক সিহঁতে নিশ্চয় কাটিলে। কটোৱালৰ দাৰ ঘাপত মুৰাদৰ প্ৰাণ উৰা মাৰিছে। মুৰাদৰ মুক্তপ্ৰাণে আকাশৰ পৰা মোলৈ ঘূৰি চাব, মই তেতিয়াও জীয়াই থাকিম। মুৰাদ মোৰ সহোদৰ, ৰাজ্যলাভৰ আশাত তাক হত্যা কৰিলোঁ। মই বৰ নিৰ্ম্মম, মই বৰ নিৰ্দ্দয়, মুৰাদ, মুৰাদ—তই মুক্ত

আকাশৰ পৰা শুনি যা, ৰাজ্যৰ তৃষ্ণাত তোক কাটিলোঁ ভাই। তোক আৰু নাপাওঁ, তোৰ অব্যৰ্থ বুদ্ধি কৌশলত আগ্ৰা দখল কৰিলো। সম্ৰাট হোৱাৰ হেপাহত বিশ্বাস-ঘাটক কৰি তোক বন্দী কৰিলোঁ! সম্মুখত বন্দী কৰিবলৈ মোৰ সাহ নাছিল মুৰাদ, নিৰ্দ্দয় ঔৰংজীবে সকলো ওলোট-পালোট কৰি দিছে। দাৰাও মৰিব। সিয়ো আজিয়েই মৰিব, কিন্তু ঔৰংজীৱ জীয়াই থাকিব। মই মানুহ নে? নাই, মই মানুহ নহয়; মুৰাদ মৰিল, দাৰা মৰিব; আগ্ৰা দুৰ্গত বন্দী হৈ ৰুগ্ন শয্যাত পৰি থকা বৃদ্ধ সম্ৰাট চাজাহানো দুঃখ বেজাৰতে মৰিব আৰু মই বিজয় উল্লাসত আনন্দৰে দিল্লীৰ ৰাজসিংহাসনত বহিম। ভাতৃঘাটি ঔৰংজীৱৰ ৰাজকাৰেঙৰ ওপৰত উৰিব ভাতৃৰ কেচা তেজেৰে ৰঞ্জিত হোৱা মোগল সাম্ৰাজ্যৰ নিচান—ৰক্ত পতাকা। নহয়, বিচলিত নহবি ঔৰংজীৱ, ভাতৃহত্যাৰ বিভীষিকাত অতিষ্ঠ হৈ নুঠিব। কেৱল তোৰ ৰাজত্বতেই নতুন সৃষ্টি নহয়, তোৰ বুৰঞ্জীৰেই ই নতুন আধ্যায় নহয়! আকাঙ্ক্ষিতৰ কাৰণে ভাতৃহত্যাৰ প্ৰয়োজন, পিতৃহত্যাৰ প্ৰয়োজন আৰু বহুত প্ৰয়োজন হব। ঘোষক জগতে, ঘোষক বুৰঞ্জীয়ে ঔৰংজীৱ অন্তঃসাৰ শূন্য বুলি,—আপত্তি নাই। ঔৰংজীৱৰ হৃদয়ৰ কাৰ্পণ্যই নতুনকৈ গঢ়িব সুদৃঢ় মোগল সাম্ৰাজ্য।

(প্ৰস্থান)।

## চতুর্থ দর্শন ৷

[ বন্দীশাল। সময় ৰাতি। দাৰাৰ আঁঠুত মূৰ দি
চিপৰ শুই থাকে। ]

দাৰা—চিপৰ, চিপৰ।

চিপৰ—আব্বাজান।

দাৰা—তই কিবা খাবি বাছা ?

চিপৰ—নাখাওঁ। ঔৰংজীৱৰ বন্দীশালত অনাহাৰে থাকিয়েই মৰিম।

দাৰা—সেই দৰে কব নাপাই বাছা। খোদাই তোৰ মঙ্গল কৰিব।

চিপৰ—ঔৰংজীৱে আপোনাৰ চিঠিৰ কিবা উত্তৰ দিলেনে আব্বাজান ?

দাৰা—চিঠিৰ উত্তৰ! দিব চিপৰ।

চিপৰ—কি বুলি দিব

দাৰা—মোৰ মৃত্যু। আৰু কি দিব চিপৰ।

চিপৰ—( দাৰাৰ কোলতে মুৰ স্তমুৱাই ) আব্বাজান! আপোনাৰ লগতে ময়ো মৰিম। আপুনি মৰিবৰ সময়ত মোক নেৰিব দেই আব্বাজান। আম্মাজান আগতে মৰিল বৰ ভাল হল। আমাৰ এনে অৱস্থা হোৱা দেখা হলে আম্মাজানে খুব কান্দিলে হেতেন। আপুনি কৈছিল নহয় আববাজান, খোদাই সকলোকে সমানে চাই বুলি। ক'তা ? খোদাই জানো আমাৰ অৱস্থা এতিয়া দেখা নাই ?

দাৰা—চিপৰ, খোদাই সকলো চাই আছে। তেওঁ নিশ্চয় ঔৰংজীৱক শাস্তি দিব।

চিপৰ—কেতিয়া দিব আব্বাজান? ঔৰংজীৱ মৰা আমি দেখিবলৈ পামনে? আম্মাজানে জানিবনে? চোলেমান কত আছে আব্বাজান?

দাৰা—(অতি বেজাৰেৰে) কব নোৱাৰো চিপৰ, খোদাই কেতিয়া চকুমেলি চাব। চোলেমান হয়তো মৰিল। আমিও মৰিব বাছা।

চিপৰ—কেতিয়া মৰিম আব্বাজান?

দাৰা—কব নোৱাৰো। হয়তো আজিয়েই আমাক কাটিব।

চিপৰ—আব্বাজান, মোৰ বৰ ভয় লাগিছে।

দাৰা—ভয় নাই চিপৰ। বহুত ৰাতি হৈছে। তই অকনমান শুই থাক।

চিপৰ—সিহঁতে কিজানি আমাক এতিয়াই কাটিবলৈ আহেৰা আব্বাজান?

দাৰা—( চিপৰক নিজৰ কোলতে মূৰদি শুৱাই )

চিপৰ—আপুনি নোশোৱে জানো?

দাৰা—মই অলপ পিছত শুম। তোৰ টোপনি আহক।

চিপৰ—আপুনি মোক এৰি কেনিও নাযাব দেই আব্বাজান।

দাৰা—এই বন্দীশালৰ পৰা ওলাব পাৰিম জানো চিপৰ। ভই নকৰিবি। হায়! খোদা।

( অলপ সময়ৰ পিছত বন্দীশালৰ দুৱাৰ খোল খাই। দাৰাই ভয়ে ভয়ে সোধে। জিহন খাঁ বন্দীশালৰ ভিতৰলৈ সোমাই যায়। দুটা কটোৱালে হাতত অস্ত্ৰলৈ দুৱাৰ মুখত ঠিয় হৈ থাকে)।

দাৰা—কোন তুমি ?

জিহন—মই—মই জিহন খাঁ।

দাৰা—এই ৰাতি তুমি বন্দীশাললৈ আহিছা জিহন খাঁ? তুমি নোকোৱা কৈ তোমাৰ কৰ্ত্তব্য মই জানিছোঁ। কি শাস্তি আনিছা জিহন খাঁ ?

জিহন—আৰু কি আনিম ? বন্দী জীৱনৰ শেষত যি হব পাৰে তাকে আনিছোঁ। এইয়া আদেশ পত্র।

দাৰা—তেন্তে তুমি মোক হত্যা কৰিবা? তোমাৰ নিচিনা মহাপাপী মানুহঁকো যে খোদাই সৃষ্টি কৰিছে। জিহন খাঁ, মোৰ মৃত্যুৰ কাৰণে অলপো ভয় নাই। কিন্তু তোমাৰ কাৰণে কৈ যাওঁ—এই বিশ্বাসঘাটকতাৰ ফল, নিৰাশ্রয়ক আশ্রয় দি মৃত্যু মুখত পেলোৱাৰ ফল তুমি ভোগ কৰিবা। তোমাৰ মৃত্যু অতি কৰুণ হব। এনে দিন আহিব যি দিনত তুমি মৃত্যু বিচাৰিলেও সহজে মৃত্যু নাপাবা, দিনে দিনে তোমাৰ দেহ ক্ষয় হৈ অস্থি চৰ্ম্মৰ মাজত জীৱ সোমাই থাকি মৃত্যুৰ যাস্ত্রনাত চটফটাই থাকিবা। (চিপৰে শোৱাৰ পৰা উঠি বাপেকক সাবতি ধৰে) তেতিয়াহে বুজিবা পাপ কি, তেতিয়াহে বুজিবা বিশ্বাস-ঘাটকতাৰ পৰিনাম কি……।

জিহন—খৰৰ্দ্দাৰ আৰু কথা নকবা।

(চিপৰক বলেৰে বন্দীশালৰ বাহিৰলৈ ঠেলি নিয়ে, চিপৰে চিঞৰী উঠে)

চিপৰ—আব্বাজান, আব্বাজান মই নাযাওঁ।

দাৰা—চিপৰ, চিপৰ, মাত আৰু এবাৰ মাত আব্বাজান বুলি! চিপৰ, নাকান্দিবি, মই আৰু তোক নেদেখোঁ।

( দাৰাই আঁঠু কাঢ়ি ভগবানক প্ৰাৰ্থনা কৰে,—জিহন খাঁই তৰোৱাল দাৰাৰ বুকুৰ মাজত সুমুৱাই দিয়ে, লগে লগে বাগৰি পৰে। )

দাৰা—চিপৰ, চিপৰ, মোক কাটিলে বাছা। আল্লা······।

( ৰঙ্গমঞ্চ আন্ধাৰ হৈ পৰে দুৱাৰ মুখৰ পৰা বেগেৰে চিপৰ সোমাইগৈ দাৰাৰ মৃত দেহৰ ওপৰত সাৱতি ধৰে—জিহন খাঁ আৰু কটোৱালে দুৱাৰ বন্ধ কৰি গুছি যায়। )

চিপৰ—আব্বাজান, আব্বাজান! আপোনাক কাটিলে। সিহঁতে মোক নাকাটিলে। মই জীয়াই থাকিলো আব্বাজান! আপোনাৰ বুকুৰেদি ৰঙা তেজবোৰ ওলাই আহিছে। আপুনি অলপ আগতে মাতিছিল এতিয়া মাতিব নোৱাৰো হল। মই কাৰ লগত থাকিম আব্বাজান। চোলেমান মৰিল, আম্মাজান মৰিল আপোনাকো এতিয়াই কাটি মাৰি পেলালে। মোৰ বৰ ভয় লাগিছে। সিহঁতে মোকো এতিয়াই কাটিব, মই দৌৰ মাৰি আপোনাৰ ওচৰ পামগৈ। আপুনি সোনকালে নাযাব। মোক বেগেতে মাৰি নিয়ক আব্বাজান—আব্বাজান।

( দুটা কটোৱাল পুনৰ সোমাই আহে—দাৰাৰ মৃত দেহটো ডাঙি লৈ যায়। বন্দীশালৰ দুৱাৰ আগৰ দৰে বন্ধ কৰে। )

চিপৰ—( দুৱাৰ মুখলৈ গৈ ) আব্বাজানক নিনিবা, নিনিবা। মোক কাটা, মোক কাটা। মই আব্বাজানৰ ওচৰলৈ যাওঁ। আব্বাজান,—আব্বাজান, আপুনি কলৈ গল, কলৈ গল আব্বাজান।

( মাটিৰ ওপৰত বাগৰি পৰে )।

---

## পঞ্চম দৰ্শন।

[ আগ্ৰা দুৰ্গ—ৰুগ্ন শয্যাত চাজাহান,
কাষত জাহানাৰা। ]

চাজাহান—জাহানাৰা।

জাহানাৰা—আব্বাজান।

চাজাহান—মোৰ অসুখ বেছি হৈ আহিছে আই। মাত-কথা বন্ধ হৈ যোৱাৰ উপক্ৰম হৈছে আৰু বোধ হয় বেছি সময় জীয়াই নাথাকিম। মোক অলপ ডাঙি বহুৱাই দে জাহানাৰা। জীৱন যোৱাৰ আগেয়ে শেষ-বাৰলৈ এবাৰ চাবলৈ দেছোন মোৰ চেনেহৰ মমতাজৰ আকাঙ্খাৰ তাজমহলক।

জাহা—আব্বাজান। আপোনাৰ অসুখ বেছি হৈছে। নিৰলে শুই থাওক ছোন।

চাজাহান—শুবলৈ কৈছ আই। শুলে জানো টোপনি ধৰিব। কান্দি কান্দিয়েই কত দিন, কত ৰাতি পাৰ কৰি দিলোঁ।

মুৰাদক হত্যা কৰিলে, চুজা আৰাকানলৈ পলাই গল নহয়নে? সিয়ো তাতেই মৰিল। নিষ্ঠুৰ ঔৰংজীৱে মুৰাদক কেনেকৈ হত্যা কৰিলে জাহানাৰা?

জাহা—মুৰাদক বুদ্ধিৰে বেছিকৈ মদখুৱাই অজ্ঞান অৱস্থাত বন্দী কৰিলে আৰু শেষত কটোৱালৰ হতুৱাই হত্যা কৰালে আব্বাজান।

চাজাহান—আৰু নালাগে কব জাহানাৰা। মাতৃহীন মুৰাদে মৰাৰ সময়ত মোৰ কথা ভাৱি নিশ্চয় কান্দিছিল জাহানাৰা। মোৰ কাষত তাক পোৱা হলে পুনৰ গুজৰাতলৈ তাক পঠাব পাৰিলো হেতেন। ঔৰংজীৱৰ কুট বুদ্ধিত বেচেৰা ভোল গল। উস্! ঔৰংজীৱৰ প্ৰাণত কি আছে। দাৰাক যশোৱন্ত সিংহই বিশ্বাস ঘাটকতা কৰি ঔৰংজীৱৰ লগত শেষ যুদ্ধতো পৰাজয় কৰালে। ইহঁতৰ হিয়াত অকণো স্নেহৰ অনুভূতি নাই জাহানাৰা।

জাহা—স্বাৰ্থৰ বাটত স্নেহ নোপজে আব্বাজান।

চাজাহান—এৰা। দাৰাৰ বাতৰি কিবা পাইছনে? মৰাৰ আগতে তাৰ বাতৰিটো পোৱাহলে সুখ পালোহেতেন জাহানাৰা।

জাহা—( নিমাত )

চাজাহান—নিমাতে থাকিলি কিয় জাহানাৰা? তই দাৰাৰ কথা কিবা শুনিছ যদি মোকো ক। সক কালৰ পৰা মোৰ স্নেহ নয়নৰ তলত থাকি ডাঙৰ দীঘল হৈ দুঃখ কাক বোলে

অভাৱ কাক বোলে নাজানিছিল। সেই দাৰা আজি বাটৰ ভিকহু। মোৰ ওচৰলৈ এবাৰ ঔৰংজীৱক মাতি আনিব পাৰিবি? তাক কাকুতি কৰিম, সমগ্ৰ হিন্দুস্থান তাক এৰি দিম, সি মাত্ৰ দাৰাক মোক দিয়ক।

জাহা—আব্বাজান। ( কান্দে )

চাজাহা—কান্দিছ জাহানাৰা? দাৰাৰ কিবা নিশ্চয় বিপদ হৈছে নহয়নে? কছোন জাহানাৰা, সি জীয়াই আছেনে?

জাহা—আব্বাজান। ঔৰংজীৱৰ লগত শেষ যুদ্ধত হাৰি দাৰা পাৰস্যৰ ফালে যাত্ৰা কৰিছিল। কেই দিন মান জিহন খাঁৰ ঘৰত আশ্ৰয় লৈছিল। তাতে নাদিৰাবো মৃত্যু হল।

চাজাহান—অহ! নাদিৰাবো মৃত্যু হল। মোৰ শোকৰ ওপৰতে শোক বাঢ়িল। তাৰ পিছত কি হল?

জাহা—তাৰ পিছত জিহন খাঁই বিশ্বাসঘাটকতা কৰি দাৰাক ঔৰংজীৱৰ হাতত শোধায় দিলে।

চাজাহান—ঔৰংজীৱৰ হাতত সোধায় দিলে? তাৰ পিছত ফেঁটি সাপে দংশন কৰিলে নহয়নে জাহানাৰা? হায়, হায়! এই জিহন খাঁক মোৰ হাতৰ পৰা দাৰাই প্ৰাণ ৰক্ষা কৰিছিল। তাৰেই এই কৃতজ্ঞতা। দাৰা এতিয়া মোৰ নিচিনাকৈ বন্দী নহয়নে?

জাহা—বন্দীশালত নাই আব্বাজান। ঔৰংজীৱৰ ক্ৰুদ্ধ দৃষ্টিৰ পৰা আতৰি গৈ মুক্ত ভাৱে আকাশত বিচৰণ কৰিছে।

চাজাহান—তই কৈছ কি জাহানাৰা ? মই বুজা নাই। ভালকৈ কছোন দাৰা জীয়াই আছেনে নাই।

জাহা—দাৰাক কাটিলে আব্বাজান। ( কান্দে )

চাজাহান—কাটিলে ? মোৰ দাৰাক ঔৰংজীৱে কাটিলে !

( বিছনাৰ পৰা কঁপি কঁপি উঠি বহে )

চাজাহান—মোৰ তৰোৱাল আন জাহানাৰা। মই জী থাকোতে ৰাজ্যত অৰাজকতা হ'বলৈ দিব নোৱাৰোঁ। হত্যাৰ প্ৰতিশোধ লম। মই ঔৰংজীৱক হত্যা কৰিম, সি মোৰ দাৰাক আৰু মুৰাদক বিনা বিচাৰে কাটিছে। মই হিন্দুস্থানৰ সম্ৰাট, সি মোক অৱজ্ঞা কৰিছে। বল জাহানাৰা বেগাই বল। ঔৰংজীৱ কত আছে মোক দেখুৱাই দেগৈ। দুৰ্গৰ দুৱাৰ ভাঙি মই ওলাই যাম ঔৰংজীৱৰ কেচা তেজেৰে দাৰাৰ কবৰ ভেটি ৰঙা কৰি দিম। মোক ঔৰংজীৱক লাগে। মোৰ তৰোৱাল দে জাহানাৰা। ( বিছনাৰ পৰা উঠি যাবলৈ ধৰোতে হঠাতে মাটিত বাগৰি পৰে )

জাহা—আব্বাজান। ( কান্দি কান্দি চাজাহানক মাটিৰ পৰা বিছনাত শুৱাই—বহু সময় চাজাহান নীৰবে থাকে। )

চাজাহান—সকলো শেষ হৈ গৈছে জাহানাৰা। গোটেই সংসাৰত জুই লাগিল। ভাতৃঘাটি ঔৰংজীৱ···।

জাহা—আপুনি শোৱক আব্বাজান।

চাজাহা—মোক ঔৰংজীৱক লাগে। তাক আনি দে জাহানাৰা।

( ঔৰংজীৱ সোমাই আহে )

ঔৰং—মই নিজেই আহিছো আব্বাজান।

চাজাহা—কোন ? দাৰা আহিছেনে জাহানাৰা ? তই কব্ৰৰৰ মাজৰ পৰা ওলাই আহিলি দাৰা। আহ মোৰ ওচৰলৈ আহ।

ঔৰং—দাৰা-মুৰাদৰ হত্যাকাৰী মই নিষ্ঠুৰ ঔৰংজীৱ আব্বাজান।

চাজাহা—নিষ্ঠুৰ ঔৰংজীৱ ! জাহানাৰা মোৰ তৰোৱাল দে, মোক উঠাই দে। বিদ্ৰোহী, অত্যাচাৰী ঔৰংজীৱক কাটি দাৰাৰ কবৰ ৰঙা কৰোঁ।

ঔৰং—হত্যা কৰক আব্বাজান। মই প্ৰস্তুত হৈ আহিছোঁ। নিৰ্দ্দয় ভাৱে দাৰাক হত্যা কৰাইছোঁ মুৰাদক হত্যা কৰাইছো ; বৃদ্ধ সম্ৰাটক ৰুগ্ন অৱস্থাতো আগ্ৰা দুৰ্গত বন্দী কৰি থৈছোঁ, চুজা পলাল। ঔৰংজীৱৰ আগত থাকিব নোৱাৰি হয়তো আৰাকান পৰ্ব্বততে সিয়ো প্ৰাণ এৰিলে। ভাতৃ তেজেৰে ৰঙা কৰা মোগলৰ বিজয়ী নিচান দিল্লীৰ মুক্ত আকাশত উৰিছে। মই মানুহ নহয় আব্বাজান। আজি ঔৰংজীৱৰ কঠোৰ হিয়া ভাতৃৰ চকুলোৱে—পিতৃৰ চকুলোৱে, বন্দী-শালত পৰি থকা চিপৰৰ করুণ ক্ৰন্দনধ্বনীয়ে কঁপাই তুলিছে। মোক শাস্তি দিয়ক আব্বাজান, মই শাস্তি লবলৈ দিল্লীৰ পৰা লৰি আহিছোঁ। ( আঁঠু কাঢ়ে )

চাজাহা—( ক্ষীণ স্বৰেৰে ) পুত্ৰ ! মোৰ ওচৰলৈ আহ। মই উঠিব নোৱাৰো বাছা। ( শোৱাৰ পৰা হাত মেলি

Please handle the book carefully.


ঔৰংজীৱক ধৰে ) ঔৰংজীৱ ! দাৰা মৰিল, মুৰাদ মৰিল, চুজাও মৰিল। মই আগ্ৰা দুৰ্গত বন্দী। মোৰো শেষ অৱস্থা। পুত্ৰৰ শোকত চাজাহানৰ স্নেহশীল হৃদয় ভাগি চুৰমাৰ হল। কান্দিলেও চকুলো নোলোৱা হল। পুত্ৰ বুলিবলৈ তয়েই জীয়াই আছ ঔৰংজীৱ। মোৰ অনুৰোধ মমতাজৰ কবৰৰ কাযত মোৰ কবৰ তৈয়াৰ কৰিবি এনেফেৰি শান্তি পাম। ( লাহে লাহে চাজাহানৰ মাত নোলোৱা হয়। জাহানাৰাই গাত সাবতি ধৰি কান্দি থাকে ) তই আজিৰ পৰা সমগ্ৰ হিন্দুস্থানৰ সম্ৰাট। জাহানাৰাক চাবি। মোৰ মুখত এটোপা পানী দি তয়েই ইমান দিন বচালে। জাহানাৰা—আই। খো—দা। ( মৃত্যু )

জাহা—আব্বাজান, আব্বাজান ! ( কান্দে )

THE NABIN ... RY GAUHATI 26 AUG 1958

—শেষ পট—

( ঔৰংজীব সোমাই আহে )

ঔৰং—মই নিজেই আহিছো আব্বাজান।

চাজাহা—কোন ? দাৰা আহিছেনে জাহানাৰা ? তই কবৰৰ মাজৰ পৰা ওলাই আহিলি দাৰা। আহ মোৰ ওচৰলৈ আহ।

ঔৰং—দাৰা-মুৰাদৰ হত্যাকাৰী মই নিষ্ঠুৰ ঔৰংজীৱ আব্বাজান।

চাজাহা—নিষ্ঠুৰ ঔৰংজীৱ ! জাহানাৰা মোৰ তৰোৱাল দে, মোক উঠাই দে। বিদ্রোহী, অত্যাচাৰী ঔৰংজীৱক কাটি দাৰাৰ কবৰ ৰঙা কৰোঁ।

ঔৰং—হত্যা কৰক আব্বাজান। মই প্রস্তুত হৈ আহিছোঁ। নির্দ্দয় ভাৱে দাৰাক হত্যা কৰাইছোঁ মুৰাদক হত্যা কৰাইছো ; বৃদ্ধ সম্রাটক ৰুগ্ন অৱস্থাতো আগ্রা দুর্গত বন্দী কৰি থৈছোঁ, চুজা পলাল। ঔৰংজীৱৰ আগত থাকিব নোৱাৰি হয়তো আৰাকান পর্ব্বততে সিয়ো প্রাণ এৰিলে। ভাতৃ তেজেৰে ৰঙা কৰা মোগলৰ বিজয়ী নিচান দিল্লীৰ মুক্ত আকাশত উৰিছে। মই মানুহ নহয় আব্বাজান। আজি ঔৰংজীৱৰ কঠোৰ হিয়া ভাতৃৰ চকুলোৱে—পিতৃৰ চকুলোৱে, বন্দী-শালত পৰি থকা চিপৰৰ করুণ ক্রন্দনধ্বনীয়ে কঁপাই তুলিছে। মোক শাস্তি দিয়ক আব্বাজান, মই শাস্তি লবলৈ দিল্লীৰ পৰা লৰি আহিছোঁ। ( আঁঠু কাঢ়ে )

চাজাহা—( ক্ষীণ স্বৰেৰে ) পুত্র ! মোৰ ওচৰলৈ আহ। মই উঠিব নোৱাৰো বাছা। ( শোৱাৰ পৰা হাত মেলি

Please handle the book carefully.



ঔৰংজীৱক ধৰে ) ঔৰংজীৱ ! দাৰা মৰিল, মুৰাদ মৰিল, চুজাও মৰিল। মই আগ্ৰা দুৰ্গত বন্দী। মোৰো শেষ অৱস্থা। পুত্ৰৰ শোকত চাজাহানৰ স্নেহশীল হৃদয় ভাগি চুৰমাৰ হল। কান্দিলেও চকুলো নোলোৱা হল। পুত্ৰ বুলিবলৈ তয়েই জীয়াই আছ ঔৰংজীৱ। মোৰ অনুৰোধ মমতাজৰ কবৰৰ কাযত মোৰ কবৰ তৈয়াৰ কৰিবি এফেৰি শান্তি পাম। ( লাহে লাহে চাজাহানৰ মাত নোলোৱা হয়। জাহানাৰাই গাত সাবতি ধৰি কান্দি থাকে ) তই আজিৰ পৰা সমগ্ৰ হিন্দুস্থানৰ সম্ৰাট। জাহানাৰাক চাবি। মোৰ মুখত এটোপা পানী দি তয়েই ইমান দিন বচালে। জাহানাৰা—আই। খো—দা। ( মৃত্যু )

জাহা—আব্বাজান, আব্বাজান ! ( কান্দে )

THE NABIN P... STOCK 26 AUG 1958 GAUHATI

—শেষ পট—